# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baāhai | |
| Translated Title: | |
| Place of Publication: Kalkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

বৃষ্টি আর প্রথম যৌবন

## সূচী

পৃষ্ঠা


ভূমিকা . . . . . ১
স্বপ্নাদ্যের ঢল . . . . . ৯
জুয়ার প্রস্তাব . . . . . ১১
নারী সংবাদ . . . . . ১৫
~~[illegible]~~ খেড়েই (নদীতর আ জোয়ার) . . . . . ১৭
অতঃপর . . . . . ২২
. . . . . ২২
না বলা . . . . . ২৫
অত্যাবশ্যক . . . . . ৩৮
আমার তীর্থযাত্রা . . . . . ৪১
দুখনি চিঠি . . . . . ৪৩
প্রকৃতির খোঁচা . . . . . ৪৫
সাহিত্য আর মুসলমান . . . . . ৪৭
স্বামীনামা . . . . .
চেনা আর দুটো . . . . .

আবার দেশ

দুঃ . . . . . ৫৫

# সম্পাদকৰ চৰা।

ব্ৰহ্ম অক্ষৰ, অব্যক্ত, নিৰ্গুণ, তুৰীয়। "অশব্দমস্পর্শমৰূপমব্যয়মস্থূলম-সূক্ষ্মমহ্ৰস্বং"। ব্ৰহ্মৰ স্বৰূপ সংজ্ঞাৰ অতীত। Positive Definition-এৰে ব্ৰহ্মৰ সংজ্ঞা নহয়; সেই নিমিত্তে ব্ৰহ্মজ্ঞানীসকলে বেদত "নেতি" "নেতি" এনে নহয়, তেনে নহয়, বুলি Negative Definitive-এৰে ব্ৰহ্মৰ স্বৰূপ নিৰ্ণয় কৰিছে। কিন্তু ব্ৰহ্ম Seer অৰ্থাৎ আত্মতত্ত্ববিবেকী জ্ঞানী সাধকসকলৰ একেবাৰেই অজ্ঞাতো নহয় আৰু একেবাৰেই জ্ঞাতো নহয়। অন্য পক্ষে ব্ৰহ্মক কিছুপৰিমাণে বেদবিদ্ আত্মতত্ত্বজ্ঞ ঋষিসকলে জানিব পাৰিছিল। সেইদেখি উপনিষদৰ ঋষিয়ে কৈছে—"নাহং মন্যে সুবেদেতি নো ন বেদেতি বেদ চ। যোনস্তদ্বেদ তদ্বেদ নো বেদেতি বেদ চ।" অৰ্থাৎ মই ব্ৰহ্মক যে সুন্দৰকপে জানিছোঁ এনে মনত নকৰোঁ। মই ব্ৰহ্মক যে নাজানো এনেও নহয়। অৰ্থাৎ মই যে ব্ৰহ্মৰ তাৰ একেবাৰেই একো জানিব নোৱাৰোঁ এনে নহয়, মই জ্ঞানৰ প্ৰসাদত তেওঁৰ অনাদি অনন্ত পূৰ্ণভাব, সত্য সুন্দৰ মঙ্গলভাব অনুভৱ কৰিছোঁ, কিন্তু পৰিমিত পদাৰ্থৰ নিচিনাকৈ বিশেষকৈ তেওঁৰ বিষয়ে আয়ত্ত কৰিব নোৱাৰোঁ। কেচুৱা লৰাই মাক বাপেকৰ অস্তিত্ব, স্নেহময় ভাব ধাৰণা কৰিব পাৰে, কিন্তু তেওঁলোক সম্পূৰ্ণৰূপে কেনে বুজিব নোৱাৰে। সাধকসকলৰ ব্ৰহ্মজ্ঞান, জীৱৰ সুষুপ্ত অৱস্থাৰ সুখানুভূতিৰ নিচিনা। সুষুপ্ত অৱস্থাত যেনেকৈ মানুহে, তেওঁ যে সুখ এই অৱস্থাৰ অনুভৱ কৰোঁতা Ego মই হেৰুৱায়, অথচ তেওঁ যে তেনে অৱস্থাত আছিল এই কথা তেওঁ সাৰ পালে তেওঁৰ মনত পৰে মাত্ৰ, সেই প্ৰকাৰ ব্ৰহ্মৰ স্বৰূপ নিৰ্গুণত স্থিতি লাভ তেওঁ জানে কিন্তু সেই স্বৰূপ কেনে তাৰকৈ তাক নাজানে।

• • •

ব্ৰহ্ম একমেবাদ্বিতীয়ং আৰু একমাত্ৰ সৎ। চৈতন্য জড় সকলো তেওঁৰ অন্তৰ্নিহিত। এক ব্ৰহ্ম বহুধা হোৱাৰ ফলত সৃষ্টি। এই বহুধা হোৱাৰ মূলত

চৈতন্যমনন্তমব্যক্ত ব্ৰহ্মৰ ইচ্ছা। চৈতন্য সৎ একামেবাদ্বিতীয়মৰ সৃষ্টিৰ ইচ্ছা হোৱাত জড় চৈতন্যৰ পৃথকত্ব সাধিত হল। ব্ৰহ্ম প্ৰকৃতি পুৰুষত বিভক্ত হল। পুৰুষৰ ঈক্ষণ প্ৰকৃতিৰ ওপৰত পৰিল। ঈক্ষণৰ ফল স্পন্দন ( Vibrations )। এই স্পন্দনৰ ফলত জড় প্ৰকৃতিত বিকাৰ (change) জন্মিল। বিকাৰৰ ফলত চতুৰ্বিংশতি তত্বৰ উৎপত্তি। মনেৰে সৈতে একাদশ ইন্দ্ৰিয়, পঞ্চভূত, পঞ্চ-তন্মাত্ৰ, চিত্ত, অহঙ্কাৰ আৰু বুদ্ধি এই চৌবিশটাকে চতুৰ্বিংশতি তত্ব বোলে। চতুৰ্বিংশতি তত্ব জড়। বহুতে চিত্ত, মন, অহঙ্কাৰ আৰু বুদ্ধিক জড় বোলাত আচৰিত মানিব। কিন্তু আচৰিত কথা যে, যুগযুগান্তৰৰ আগেয়ে হিন্দুদৰ্শন প্ৰণেতা তীক্ষ্ণাতিতীক্ষ্ণ মেধাসম্পন্ন ঋষিসকলে তাকো জড় বুলি জানিছিল। আজিকালিৰ কোনো কোনো পাশ্চাত্য দাৰ্শনিকে আৰু যাইকৈ occult power চৰ্চ্চা কৰে তো পাশ্চাত্য thinker জ্ঞানী চিন্তাশীলসকলে এতিয়াহে পৰীক্ষা কৰি পাই লাহে লাহে এই সত্য হৃদয়ঙ্গম কৰিছে। কিন্তু এতিয়াও তেওঁলোকৰ দুজন এজনৰ বাহিৰে বাকীসকলে হিন্দুদৰ্শনৰ গভীৰ তত্ত্ব মায়াবাদ বুজিব নোৱাৰে। মাধৱদেৱে ঘোষাত লেখিছে,—

"যিহেতু চৈতন্য পূৰ্ণ পৰমাত্মাৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
তাহাতে ইন্দ্ৰিয়গণ ভূত প্ৰাণ বুদ্ধি মন
প্ৰবৰ্ত্তে যতেক জড়ৰাশি।"

• • •

জীৱাত্মা পৰমাত্মাৰ কণা মাত্ৰ। সি জড় নহয়, অনাদি পৰমাত্মাৰপৰা স্বভাৱত ভিন্ন নহয়। সাংখ্যদৰ্শনৰ পুৰুষ, অৰ্থাৎ দেহৰূপ পুৰত শুই থকা পুৰুষেই এই আত্মা। হৃদয়ৰ অন্তৰতম প্ৰদেশত শুই বা বদ্ধ হৈ থকা এই জীৱাত্মাই চৈতন্যময় পৰমাত্মা ব্ৰহ্মৰ অংশ, অৰ্থাৎ দুয়ো একে; এইবাবে "তত্বমসি" বোলা হয়, অৰ্থাৎ তৎ ত্বং অসি,—সেইজনেই তুমি। "তোমাৰেসে অংশ আমি যত জীৱগণ। তোমাৰ মায়ায়ে প্ৰভু মোহিলে আমাক।" "যত জীৱ জঙ্গম, কীট পতঙ্গম, অগণক জগ্মতৰি কায়া। ঈশ স্বৰূপে হৰি সব ঘটে বৈঠয়, যৈচে গগন বিয়াপি।"—শঙ্কৰদেৱ।—পুণ্যকাৰ্য্য আৰু ঈশ্বৰ চিন্তাৰ দাৰাই ক্ৰমাৎ জীৱাত্মাৰ দেহবন্ধন মোচন হৈ লাহে লাহে ওপৰ



থাপলৈ উঠি উঠি পঞ্চভূতাত্মক স্থূল শৰীৰ পৰিত্যাগ কৰি, চতুৰ্ব্বিংশতি তত্বান্তৰ্গত বাকী ১৯টা জড় পদাৰ্থৰ দাৰাই জড়িত থাকি, দ্বিতীয় থাপৰ লিঙ্গশৰীৰ ধাৰণ কৰি, নিৰ্দ্দিষ্টকাল পূৰ্ব্বজন্মৰ কৰ্ম্মফল ভোগৰ অন্তত (যদি সেই শৰীৰী অৱস্থাতো অসৎ কাৰ্য্যৰ দাৰাই স্খলিত হৈ আকৌ স্থূলশৰীৰলৈ নাহিব লগীয়া নহয়) কেৱল বুদ্ধি মাত্ৰ থাকীৰে সৈতে জীৱাত্মাই তৃতীয় থাপৰ কাৰণ-শৰীৰ ধাৰণ কৰে। বুদ্ধিযুক্ত কাৰণ-শৰীৰো জড়,—মাথোন সি সূক্ষ্মাতিসূক্ষ্ম। এই কাৰণ-শৰীৰপৰাও, লক্ষ্যভ্ৰষ্ট হলে জীৱাত্মাৰ অধঃপতন হয়। সি আকৌ উন্নতি আহি আকৌ সংসাৰৰ নিকাৰ ভুগি দুনাই নানা যোনি ভ্ৰমি, হেকৰা বাটছোৱা পাবলৈ চেষ্টা কৰিব লাগে; নকৰি নোৱাৰে; কাৰণ অংশই সম্পূৰ্ণৰ লগত মিলিবলৈ অদম্য চেষ্টা কৰি থকাটো অংশৰ স্বভাৱ। এতেক নিজৰ হাতত্তে নিজৰ মাৰণ তাৰণ আছে। সেইদেখিহে মাধৱদেৱে ঘোষাত কৈছে,—

"আপুনি আপোন শত্ৰু আপুনি আপোন মিত্ৰ
আপুনি আপোন বাধে মাৰে।
হৰিক নভজি নৰে আপুনি হোৱয় নষ্ট
হৰি ভজি আপনাকে তাৰে।"

এই হল জীৱাত্মাৰ সৎ চিৎ আনন্দ পৰমাত্মাৰ সমীপৱৰ্ত্তী হবলৈ সাধাৰণ বাট। কিন্তু যোগী সাধক ভক্তসকলে এই স্থূলশৰীৰত থাকিও চিত্তশোধন কৰি ঈশ্বৰৰ তপস্যা সাধন আদি কৰি লিঙ্গ আৰু কাৰণ শৰীৰাৰোহণ নকৰিও একেবাৰেই ঈশ্বৰ প্ৰাপ্তি লাভ কৰিব পাৰে। একান্ত ভক্তই গৃহত আসনত বহি নিৰ্গুণ ঈশ্বৰৰ গুণ শুদ্ধভাৱে শ্ৰৱণ কীৰ্ত্তন কৰিও এই অসাধ্য সাধন কৰে। একান্ত ভকতৰ ক্ষমতা সকলোতকৈ অধিক; তেওঁ হৰিক বৈকুণ্ঠৰ-পৰাও টানি তেওঁ থকা ঠাইলৈ আনে—

"একান্ত ভকত সবে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত।"—ঘোষা।

• • •

আজিকালি পাশ্চাত্য জ্ঞানী আত্মতত্ত্বজ্ঞসকলে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে "Thoughts are things" চিন্তাবোৰ জড় পদাৰ্থ। কূটস্থ চৈতন্যশক্তিৰ দ্বাৰাই জড় পদাৰ্থৰ স্পন্দন ( vibration ) হৈ অৰ্থাৎ আমি তথা প্ৰত্যেকটো চিন্তা স্পন্দিত হৈ চিন্তা-ঢৌৰূপে চাৰিও কালে বিয়াপি যায়। ভাবোতাৰপৰা পোৱা বলৰ তাৰতম্য অনুসাৰে বেছি বেগেৰে বা কম বেগেৰে বা লাহে লাহে সেই তৰঙ্গবোৰ গৈ দূৰত থকা আন মানুহৰ মনত লাগে আৰু সেই মন সমধৰ্মী হলে সি তাত প্ৰতিধ্বনিত হয়। আমি সততে আমাৰ চিন্তাৰ ঢৌ চাৰিওফালে অজ্ঞাতসাৰে পঠিয়াব লাগিছোঁ। আৰু লোকৰ চিন্তাৰ ঢৌও সেইদৰে সততে আমাৰ মনোৰাজ্যত আমাৰ অজ্ঞাতসাৰে প্ৰবেশ কৰিব লাগিছে; ক্ষেত্ৰ উপযুক্ত পালে সি প্ৰতিধ্বনিত হয়, আৰু তেতিয়া আমি তাৰ গম পাওঁ। নিজৰ মনৰ ওপৰত প্ৰভুত্ব থকাজনে তেওঁৰ চিন্তা-প্ৰবাহ আনলৈ, বিশেষকৈ সেই আনজনৰো মনৰ ওপৰত তেওঁ প্ৰভুত্ব বিস্তাৰ কৰিব পৰা শক্তিমন্ত হলে, বা সেই আনজনেও ইচ্ছাপূৰ্ব্বক মনক সংযত কৰি পৰৰ সেই চিন্তা মনত গ্ৰহণ কৰিব পাৰিলে,—পঠিয়াব পাৰে। Thought-transference বা Telepathyৰ গুৰিও এয়ে। এনে ক্ষমতাশালী লোক আজিকালিও আমি অনেক দেখিছোঁ। এনেকৈ চিন্তাৰ ঢৌ পঠিয়াব, জানি গুনি ইচ্ছাপূৰ্ব্বক পঠিয়া আৰু জানি গুনি ইচ্ছাপূৰ্ব্বক লোৱা বোলে। কিন্তু বিশ্বজগতত নজনা শুনাকৈ ইচ্ছা শক্তিৰ সহায় বিনেও অপ্ৰকাশিত অলক্ষিত চিন্তাৰ আদান প্ৰদান সকলো সময়তে এনেকৈ আৰু ইমান হব লাগিছে যে সেইটো দকৈ ভাবি বুজিব পাৰিলে অবাক হব লাগে।

• • •

পৃথিবীত সকলো মানুহে নিজৰ চিন্তাৰ ঢৌ সকলো সময়তে নিজে নজনাকৈ চাৰিওফালে পঠিয়াব লাগিছে। আমাৰ চিন্তাবোৰে আমি বুৰি থকা Ether ব্যোমত vibration স্পন্দন কৰি ঢৌ তুলি চাৰিও ফালে সেই ঢৌবোৰ পঠিয়াব লাগিছে, সেই ঢৌবোৰে আনৰ মনোৰাজ্যত আঘাত কৰি প্ৰবেশ কৰি চিন্তা ওপজাব লাগিছে। Ether বা ব্যোম পৰ-



মেশ্বৰৰ আশ্চৰ্য্য ঐশীশক্তিসম্পন্ন পদাৰ্থ। এই ব্যোমৰ মহাশক্তিৰ কথা অনুভৱ কৰিহে মহাভক্ত মহাদেৱে "ব্যোম" "ব্যোম" উচ্চাৰণ কৰি ফুৰে। ব্যোম কম্পনৰ ফলৰ উদাহৰণ আমি সদায় দেখিবলৈ পাওঁ। কোনো এটা কাৰ্য্যৰ বিষয়ে একে ৰকমৰ ভাব একে সময়তে অনেক মানুহৰ মনত খেলায় কিয়? অনেক সময়ত দেখা যায়, একেটা কথাকে একে সময়তে, ওচৰত থকা মানুহৰ তো কথাই নাই, অনেক দূৰত থকা মানুহৰ মনতো উদয় হয়। গান, বাজনা, উৎসৱ, আমোদৰ ঠাইত, নামঘৰ পূজাঘৰত গোট খোৱা মানুহৰ মনত প্ৰায় একে ৰকম ভাব উদয় হয়। কোনো দেশত জ্বৰ বসন্ত হাইজা আদি হলে, বা কোনো এটা বিশেষ কথাত দুই চাৰিজন মানুহৰ মনত ভয় উদয় হলে, লাহে লাহে সেই ভয়ৰ ভাব সংক্ৰামক হৈ সকলোৰে মনত বিয়াপি পৰে। আন কি, মিছা ভয়ৰ ভাবেও একেখন গাৱঁৰ বা একেখন চহৰৰ বা দেশৰ মানুহৰ মনক অধিকাৰ কৰা অনেক সময়ত দেখা যায় বেলৰ দলং কৰোতে নৰা ধৰি নি তাত বলি দিয়া বা মূৰ-কটা বিধৰ আতঙ্ক এই দৰেই অনেক মানুহৰ মনত ওপজে। আজিকালি পৃথিবী জুৰি War-fever অৰ্থাৎ যুদ্ধৰ উগ্ৰ হোৱাটোও এনে স্পন্দনৰ ফল। বিবৰ্ত্তবাদ ( Evolution Theory ) প্ৰায় একে সময়তে ডাৰউইন ( Darwin ) আৰু ওৱালেচৰ ( Wallace ) মনত খেলাইছিল। যোল শতিকাৰ ধৰ্ম্মসংস্কাৰৰ ভাব য়ুৰোপ আৰু ভাৰতৰ ধৰ্ম্ম সংস্কাৰকসকলৰ মনত প্ৰায় একে সময়তে অথচ স্বাধীনভাৱে উদ্দীপিত হৈছিল। চিন্তা-ঢৌৰ প্ৰবাহ নদীৰ প্ৰবাহৰ নিচিনা। সি গুৰিৰপৰা আঁতৰ হৈ আহোঁতে আনৰ সেই জাতীয় চিন্তা-প্ৰবাহৰ শাখানৈবে সৈতে মিলি ডাঙৰ হৈ পৰে, আৰু তেতিয়া সি মহাবিক্ৰমশালী হৈ গাওঁ, নগৰ, দেশ বুৰাই লৈ যায়। প্ৰথমতে দুজন চাৰিজন প্ৰবল চিন্তাশীল লোকৰ প্ৰথৰ চিন্তাই এইদৰেই লাহে লাহে পৰিপুষ্ট হৈ পিছত জনসাধাৰণৰ মত ( Public opinion ) পৰিণত হয়।

• • •

চিন্তা-ৰাজ্যৰ এটা ডাঙৰ নিয়ম হৈছে "Like attracts like" অৰ্থাৎ ..

এজনে তেওঁৰ ফালে আনৰ ঠিক একে জাতৰ চিন্তা হে টানে। আনৰ বিপৰীত ৰকমৰ চিন্তা তেওঁৰপৰা আঁতৰি যায়। হিংসাকুৰীয়া আৰু লোকক ঘিণ কৰা স্বভাৱৰ মানুহে তেওঁৰ ফালে আনৰ হিংসা খিয়াল আৰু ঘিণৰ চিন্তাবোৰ হে টানি আনে, আৰু মৰমিয়াল মানুহে লোকৰ মৰমৰ চিন্তাবোৰহে নিজৰ কালে টানি আনে। চিন্তা-ৰাজ্যত যুগ যুগান্তৰৰপৰা মানুহৰ মগজুৰপৰা উত্তৰ হোৱা নানাবিধৰ চিন্তা গোট খাই আছে। এই বিশ্বব্ৰহ্মাণ্ডত একো পদাৰ্থৰে ক্ষয় নাই। এটা ক্ষুদ্ৰ পৰমাণু, আমি চকুৰে দেখা বা নেদেখা এটা ধূলিকণাৰো বিনাশ নাই; সি কতো নেহেৰায়। চৈতন্য আৰু জড়ৰ ওৰি একে দেখি দুইৰো স্বভাৱত প্ৰায় মিল। প্ৰকৃতি পুৰুষ অবিভক্ত আদি অৱস্থাত অব্যক্ত ব্ৰহ্ম বুলি ওপৰত কৈছোঁ। চৈতন্যইও সমধৰ্ম্মী চৈতন্যশক্তিক টানে, জড়েও সমধৰ্ম্মী জড়ক টানে। অংশ চৈতন্যই জীৱাত্মা, সেইদেখি পূৰ্ণ চৈতন্য পৰমাত্মাৰ সি অভিমুখী। চিন্তা জড় পদাৰ্থৰে গঠিত দেখি সিও জড় পদাৰ্থৰ ধৰ্ম্মাৱলম্বী। জড় পদাৰ্থৰ অণু পৰমাণুৰ ধৰ্ম্ম হৈছে—সমধৰ্ম্মাবলম্বীয়ে সমধৰ্ম্মাবলম্বীক টানে, বিসমধৰ্ম্মাবলম্বীয়ে বিসমধৰ্ম্মাবলম্বীক repel কৰে অৰ্থাৎ দূৰলৈ খেদি পঠিয়ায়। এইবাবে আমি দেখোঁ, যি মানুহ সজ, উদাৰ, প্ৰেমিক, সি আন মানুহৰপৰা প্ৰেম, উদাৰতা, আৰু সজ চিন্তা পাই, লাহে লাহে সেই মানুহজন ক্ৰমাত উন্নত হৈ হৈ ঐশ্বৰিক গুণসম্পন্ন হৈ পূজ্য হৈ পৰে। যি মানুহৰ মন হিংসা, দ্বেষ, ঘৃণা, ভয় আদি ভাবেৰে পূৰ্ণ তাৰ মনে তেনে ভাবাপন্ন আনৰপৰাও, আৰু সংসাৰত যুগ-যুগান্তৰৰপৰা সঞ্চিত হৈ থকা ভঁৰালৰপৰাও তেনে ভাৱৰ সোঁত হে টানি আনি সি অধোগতি প্ৰাপ্ত হয়, আৰু ফলত সি প্ৰেমময় আনন্দময় বিশ্বনিয়ন্তাৰপৰা আঁতৰি পৰে।

• • •

আমি দেখিবলৈ পাওঁ, দেৱ দেৱীৰ চিত্ৰ আকোঁতে চিত্ৰকৰে তেওঁলোকৰ মূৰৰ চাৰিওফালে এটা কিৰণমালাৰ আভাস দিয়ে। সেই কিৰণমালাক ইংৰাজীত Halo of light বোলে। সকলো মানুহৰ গা মূৰৰপৰা এনে কিৰণ ওলাই মানুহজনক সদায় মণ্ডলীকৃত কৰি থাকে.



বিশেষকৈ তেওঁ যেতিয়া কোনো এটা বিষয় বেছিকৈ চিন্তা কৰে। মানুহৰ প্ৰকৃতিগত চিন্তাৰ গুণ অনুৰূপে এই কিৰণমণ্ডল গঠিত হয়। সজ মানুহৰ মূৰৰপৰা সজ চিন্তাৰ Thought-aura কিৰণমণ্ডলৰ সৃষ্টি হয়, অসজ মানুহৰ মূৰৰপৰা অসজগুণসম্পন্ন কিৰণমণ্ডল হয়। সমধৰ্ম্মী চিন্তাশীল সমধৰ্ম্মী কোনো মানুহৰ ওচৰলৈ আহিলে সেইবাবে তেওঁৰ ফালে তেওঁ স্বভাৱতে টান খাই যায়, আৰু বিপৰীত ধৰ্ম্মী লোক আহিলে তাৰ বিপৰীত অৱস্থা ঘটে। সেইদেখি প্ৰায় দেখা যায়, যে কোনো মানুহক আমি দেখা মাত্ৰকে, (তেহেলৈ সেই মানুহক আমি চিনি পাওঁ বা নেপাওঁ), ভাল পাওঁ, আৰু কোনো মানুহক বেয়া পাওঁ। ইয়াৰ কাৰণ—Like attracts like. সৰু লৰাবোৰ ডাঙৰতকৈ বেছি Susceptible অৰ্থাৎ এনে প্ৰভাৱত সহজে অভিভূত হয়, কাৰণ সিহঁতৰ মন কোমল, আৰু আত্মৰক্ষা-চিন্তাৰ ( crust ) বাকলি, আৰু পৰৰ প্ৰভাৱ ( repel ) খেদিবৰ শক্তি কম। সেইদেখি আমি প্ৰায়ে দেখিবলৈ পাওঁ, সৰু লৰাবোৰে কোনো কোনো মানুহক এনেই ভাল নেপায়, তাক দেখিলে সিহঁতে ভয় খায় আৰু কান্দে; আৰু সেইজনে সিহঁতক মুখেৰে আদৰ কৰিলেও সিহঁত তাৰ কোলালৈ বা কাষৰলৈ নেযায়; অথচ এনে অনেক লোক আছে যাৰে সৈতে সিহঁত মুহূৰ্ত্ততে পিঠা হৈ পৰে।

• • •

এই নিমিত্তে সাধুসকলে, ধৰ্ম্মপ্ৰচাৰকসকলে, যাইকৈ আমাৰ দেশৰ ধৰ্ম্মপ্ৰচাৰক মহাপুৰুষ শঙ্কৰদেৱে সৎসঙ্গ তেওঁৰ ধৰ্ম্মৰ এটা প্ৰধান অঙ্গ কৰিছিল; এই নিমিত্তে শ্ৰীমদ্ভাগৱতৰ সৎসঙ্গ মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰাণ। সাধুৰ সঙ্গত লোকৰ সাধুতা উৎপন্ন আৰু বৃদ্ধি প্ৰাপ্ত হৈ ঈশ্বৰ প্ৰাপ্তি ঘটে। অসাধুৰ সঙ্গ কৰিলে অসজ চিন্তাৰ আদান প্ৰদানত মানুহৰ অকল্যাণ, অধোগতি হৈ ঈশ্বৰৰপৰা তেওঁ দূৰত পৰে। শঙ্কৰদেৱ মাধৱদেৱ দুয়ো এই বাবে সাধুসঙ্গ, সৎসঙ্গক প্ৰাধান্য দি তেওঁলোকৰ ধৰ্ম্মশিক্ষা দিছিল। মাধৱদেৱে এই বাবে ঘোষাত লেখিছে,——

"সন্তৰ সঙ্গত সুবাসনা। সুখে পুৰুষক পাৱে জানা।
হোৱে দুৰ্ব্বাসনা সন্তৰ মন কোপত।"

সন্তৰ সঙ্গত থাকিলে তুমি তেওঁৰ সজ চিন্তাৰ ভাগ পাবা। সেই সজ চিন্তাৰ প্ৰবাহ তোমাৰ মনলৈ আহি তোমাৰো চিন্তা সজ কৰিব; তোমাৰ মনত বন্ধ খাই থকা গেলা চিন্তাৰ পানীলৈ সন্তৰ নিৰ্ম্মল চিন্তাজলৰ সোঁত আহি তাত পৰি তাকো পৰিষ্কাৰ কৰিব, তোমাৰ মন বিষয়ী সংসাৰী শুচি উন্নত আৰু ঈশ্বৰমুখী হব; ফলত তোমাৰ মুক্তিৰ বাট মুকলি হব। সন্তৰ কোপ তোমাৰ ওপৰত কেতিয়া হয়? যেতিয়া তুমি তেওঁৰ বিৰুদ্ধভাবাপন্ন হোৱা, অৰ্থাৎ সন্তৰ মানস-ক্ষেত্ৰত প্ৰস্ফুটিত হোৱা প্ৰফুল্ল পাৰিজাতৰ সুগন্ধৰপৰা নিজক বঞ্চিত কৰি তুমি তোমাক ঠেলি নি ঈশ্বৰবিমুখ কৰি বিষয়-সুখৰ গেলা গোন্ধত নিজক নিমগন কৰি দুৰ্ব্বাসনাগ্ৰস্ত হোৱা। সন্তৰ কোপেই ঈশ্বৰৰ কোপ; সন্তৰ চিন্তাই ঈশ্বৰ-চিন্তা। ঈশ্বৰ-চিন্তা কৰি ঐশ্বৰিক গুণসম্পন্ন হোৱা যায়। ঈশ্বৰ প্ৰেমময়, আনন্দময়। জগতক প্ৰেম কৰা, ঈশ্বৰক প্ৰেম কৰা হব, ঈশ্বৰ সন্তুষ্ট হব। কিন্তু জগতক ঈশ্বৰৰ অংশ বুলি, একেবাৰেই সম্পূৰ্ণ ঈশ্বৰ বুলি নহয়। অংশ বা কণা এটিতে সম্পূৰ্ণ মগ্ন হৈ পূৰ্ণ পৰমব্ৰহ্মক নাপাহৰিবা। অংশতকৈ পূৰ্ণ ডাঙৰ। তেওঁৰ প্ৰিয়কাৰ্য্য সাধন কৰিছা এই মহাভাব মনত ৰাখি জগতত থকা কালত কৰ্ত্তব্য কাৰ্য্য সম্পাদন কৰিবা; কিন্তু নিৰ্লিপ্ত ভাৱে। মাগুৰ মাছ বোকাতে থাকে, কিন্তু তাৰ গাত বোকা নেলাগে। জনক ৰজাই ৰাজত্ব কৰিও জীৱন্মুক্ত হৈ আছিল। শঙ্কৰদেৱে পূৰা গৃহস্থী হৈ, সংসাৰ-সৰোবৰত থাকিও, পদুম-পাতখিলা যেন গাত পানী নলগা হৈ আছিল। আমাৰ মহাপুৰুষৰ কেনে আৰ্হি, হে সংসাৰী বিষয়ী অসমীয়া, তুমি এবাৰ চকু মেলি চোৱা। লৰা বৈষ্ণৱ প্ৰহ্লাদে বাপেকক কৈছিল,—

"শুনা পিতৃ ইটো গৃহ অন্ধকূপ সৰি।
তপোবনে একচিত্তে আৰাধিও হৰি॥"

কিন্তু তেওঁৰ জ্ঞান আৰু পকিলত, তেওঁ নিজে সংসাৰ পৰিত্যাগ কৰি ঈশ্বৰক বিচাৰি বনলৈ যোৱা নাছিল; গৃহস্থী হৈ, বৈষ্ণৱ পুত্ৰ নাতি বিৰোচন বলিক জন্ম দি সংসাৰ কৰি, অথচ সংসাৰত নমজি, ঈশ্বৰৰ সেৱা ভক্তি কৰি নিজৰ জীৱন সাৰ্থক কৰিছিল। গৃহ, পুত্ৰ পৰিজন এৰি বনলৈ গৈ ঈশ্বৰ সাধনা কৰাটো এই বাবে মহাপুৰুষীয়া ধৰ্ম্মৰ Teaching অনুশাসন নহয়;



কাৰণ তাৰ দ্বাৰাই ঈশ্বৰলাভ হলেও সি অসম্পূৰ্ণ, অঙ্গহীন; কিয়নো তাত অকলশৰীয়া আৰু আপোনপেটীয়া ভাবৰ চাট থাকে। তোমাৰ উদাহৰণ, উপদেশ, শিক্ষা, চিন্তা আদিৰে, তোমাৰ আৰ্হি সকলোৰে মাজত ৰাখি নিজৰ আৰু পৰৰ হিত কৰাটোহে সম্পূৰ্ণ ঐশ্বৰিক ভাব। তোমাৰ সজ Thought-auraৰে আনকো বিমণ্ডিত কৰি উন্নত কৰাটোহে প্ৰকৃত উদাৰতা, আৰু পৰোপকাৰিতা। ভক্তৰ আত্মপৰ নাই, সকলো আত্ম। সেইদেখি মহাপুৰুষীয়া ধৰ্ম্মই আনক বিশেষকৈ ভকতক "আতৈ" সম্বোধন কৰে। আতৈ মানে আত্মা, অৰ্থাৎ মোৰে তোমাৰে অভিন্ন আত্মা। ঈশ্বৰো অকলশৰীয়া হৈ থাকিবলৈ ইচ্ছা নকৰি নিজক বিভক্ত কৰি জগৎ সৃষ্টি কৰি সন্তুষ্ট। এইবাবে আমাৰ শঙ্কৰদেৱে সন্ন্যাসীয়া ফকিৰীয়া ধৰ্ম্মৰ ফালে মানুহক চাল লব নিদি, নিজৰ ঘৰতে থাকি, "আসনতে সুখে থাকি" দৈনিক জীৱনৰ কাৰ্য্যৰ ওলট-পালট নকৰি, ঈশ্বৰৰ নাম গুণ শ্ৰৱণ কীৰ্ত্তন কৰি সুখে তৰি যাবলৈ ব্যৱস্থা দিছিল। এনে সহজ অথচ উন্নত উদাৰ আৰু সাৰ ধৰ্ম্ম সৌভাগ্যক্ৰমে আমাৰ জাতীয় ধৰ্ম্ম। এনে জাতীয় ধৰ্ম্ম পৰিত্যাগ কৰি বা তাক ভালকৈ বুজিবলৈ চেষ্টা নকৰি বা সুবুজি, আজিকালি আমাৰ দেশৰ শিক্ষিত ডেকাই বিদেশী ধৰ্ম্ম বিচাৰি হাবাথুৰি খাই মৰে, কি দুখৰ কথা! কবিশ্ৰেষ্ঠ ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাৰে কওঁ—

"কাছে আছে দেখিতে নাপাও।
তুমি কাহাৰ সন্ধানে দূৰে যাও?"

---

# অমৰ প্ৰকাশ।

ক্ষীৰস্বামীৰ টীকাৰ আৰম্ভনতে যিকেইটা শ্লোক আছে, তাৰপৰা জানিব পাৰি যে স্বামীয়ে ছখন টীকা ৰচিছিল।

"ষড় বৃত্তয় কল্পিতাঃ।"

(১) অমৰকোষৰ টীকা "নামপাৰায়ণ", এই আটাইকেইখনৰে শেহত

ৰচিত। বাকী পাঁচখনৰ ভিতৰত "ধাতুবৃত্তিৰ" (১১) কথা উল্লেখ কৰিছে। "নিৰুক্ত বৃত্তি"খন দেৱৰাজে উল্লেখ কৰিছে,

"ক্ষীৰস্বাম্যণন্তাচাৰ্য্যাদিকৃতাং নিঘণ্টু ব্যাখ্যাম্।" "নিৰুক্ত বৃত্তি"ৰপৰা উদ্ধৃত কৰি অন্য বাক্য মাধৱৰ গ্ৰন্থাৱলীতো পোৱা যায়। (২) কিন্তু ই তিনিখন টীকাৰ "ষড় বৃত্তি-প্ৰসঙ্গ" বিষয়ে নিশ্চিত হ'ব নোৱাৰি; কোনো কোনোৱে "গণবৃত্তি", "উণাদিবৃত্তি" আৰু বেদৰ টীকা এখনৰ নাম নিৰ্দ্দেশ কৰে, যদিও এই তিনিখনৰ বিষয়ে বিশেষ কোনো যুক্তি প্ৰমাণ নাই। অৱশ্যে স্বামীৰ টীকা যে ছখন, এই বিষয়ে কোনো সন্দেহ হ'ব নোৱাৰে। টীকাৰ আৰম্ভনত আছে,—

"শ্ৰীগণেশায় নমঃ।

দিশ্যাচ্ছিৱানি শিৱয়োস্তিল কায়মাস্থ<br>
গোৰোচনাৰুচিললাটবিলোচনং নঃ।<br>
অন্যোন্য গাঢ় পৰিৰম্ভ নিপীড়নেন<br>
পিণ্ডীভৱন্ বহিৰিৱ স্ফুটিতোঽনুৰাগঃ ॥ ১ ॥<br>
অত্ৰাপ্যভিন্নসূত্ৰো যোঽৰ্থাধিভিৰমৰকোষ এৱ বুধাঃ।<br>
উদ্ঘাট্যতে যথেচ্ছং গৃহ্ণীধ্বং নামৰত্নানি ॥ ২ ॥<br>
প্ৰকৃতি প্ৰত্যয় বাক্যৈ ৰ্ব্যস্ত সমস্তৈ ৰ্নিৰুক্তনিগদাভ্যাম্।<br>
ইতি সপ্তাষ্টৈঃ পথিভিৰ্নাম্নাং পাৰায়ণং কুৰ্ম্মঃ ॥ ৩ ॥<br>
তস্মা অভিধানকৃতো বিবৰীতাৰশ্চ যত্ৰ বিভ্ৰান্তাঃ।<br>
নামানি তানি ভংক্তুং গহনমহো অধ্যৱসিতাঃ স্ম ॥ ৪ ॥<br>
সহজো যঃ সমুল্লাসঃ ক্ষীৰাব্ধেঃ সোঽপি মংস্যতে।<br>
চান্দ্ৰ ইত্যত্ৰ কিং কুৰ্ম্মো গতানুগতিকং জগৎ ॥ ৫ ॥<br>
যত্নেন তস্য হি ভৱেৎ ক্ৰিয়তেঽন্যথা যৎ<br>
কস্থাদয়েদ্দিনমণিং কৰসম্পুটেন।<br>
সাৰেতৰান্তৰ বিচাৰচণান্ প্ৰতীৰ্ষ্যং<br>
স্তেনাঽহমেৰক দুৰ্জ্জন চক্ৰৱৰ্ত্তী ॥ ৬ ॥

১১ "ধাতুবৃত্তি" তৰঙ্গিণী নামেৰে অভিহিত।



( কিন্তু )

যদ্যতিকৃপণবৃত্ত্যা বিভ্যতো বা পৰস্মা-<br>
দৰচলমমহাৰ্ঘং নীৰসং দুৰসং বা।<br>
ৰবিৰসিত মুদ্ৰাৰাণ চৌকয়ামোঽতিভক্ত্যা<br>
তদপি ভৱকৰৃত্ত্যা দূষ্যতে কিং বিদগ্ধঃ ॥ ৭ ॥<br>
জাতা বিশ্বসৃজঃ ক্ৰমেণ মুনিভিঃ সংস্কাৰমাপাদিতাঃ<br>
শব্দাঃ সংৰসনাদসাধুভিৰপভ্ৰষ্টাঃ স্থ তো ভ্ৰাতৰঃ।<br>
বাগ্দেৱ্যাঽহস্ত কৃতা যদেকশৰণা মাত্ৰা যতোঽধান্ ময়া<br>
নাস্মো বৰ্ত্মনি বৰ্ত্তনায় ভৱতাং ষড় বৃত্তয়ঃ কল্পিতাঃ ॥ ৮ ॥

টীকাৰ শেহত আছে যে,—

"ইতি ভট্টক্ষীৰস্বাম্যুৎ প্ৰেক্ষিতেঽমৰশেষোদ্ঘাটনে সামান্যকাণ্ড তৃতীয়ঃ।"

স্বামীৰ এই টীকা সংক্ষিপ্ত আৰু অন্যান্য সকলো টীকাতকৈ শ্ৰেষ্ঠ।

মহেশ্বৰ প্ৰণীত "বিশ্বপ্ৰকাশত" "নামপাৰায়ণ"ৰ উল্লেখ আছে, কিন্তু "বিশ্বপ্ৰকাশত" উল্লেখ কৰা "নামপাৰায়ণ" অমৰ কোষৰ টীকা বুলি দাবি কৰিব নোৱাৰি, কাৰণ "নামপাৰায়ণ" নামে এখন পাণিনীয় টীকাও আছে। "বিশ্বপ্ৰকাশৰ" শ্লোকটো এই,—

যত্ত পূৰ্ব্বতয়া কিঞ্চিন্নামাত্ৰ প্ৰতিভাতিচ।<br>
তৎ তদৰিব্যতাং সৰ্ব্বৈৰ্নামপাৰায়ণাদিষু ॥

ঠায়ে ঠায়ে "বিশ্ব" কাৰে ক্ষীৰ স্বামীৰে টীকাৰ অনুকৰণ কৰিছে।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

# বাঁহী বজোৱাঁ।

বজোৱাঁ বজোৱাঁ হেৰা গোপীনাথ,<br>
কোমল ওঁঠত বাঁহীটি লই।<br>
থোৱাঁ থোৱাঁ থোৱাঁ হেৰা লক্ষ্মীনাথ,<br>
আমাৰ মনক একেথৰ কই।

দিয়াঁ দিয়াঁ দিয়াঁ হেৰা দীননাথ,
আমাৰ মনত সদা অভয়।
গোৱাঁ গোৱাঁ গোৱাঁ হেৰা গীতনাথ,
মধুৰ সঙ্গীত সোঽহং হই।
লোৱাঁ লোৱাঁ লোৱাঁ হেৰা বিশ্বনাথ,
অজ্ঞান আমাৰ জ্ঞানক থই।
আহাঁ আহাঁ আহাঁ হেৰা শ্ৰীনাথ,
থাকোঁ হৰিষেৰে কোলাত লই।
ধৰাঁ ধৰাঁ ধৰাঁ হেৰা লোকনাথ,
লোকৰ অৰ্চ্চনা প্ৰসন্ন হই।
কৰাঁ কৰাঁ কৰাঁ হে গোলোকনাথ,
গোলোকবাসীক সুখ শান্তিময়।
পালাঁ পালাঁ পালাঁ হেৰা গোপনাথ,
গোপাল গোপাল কৰিছোঁ মই।
চাওঁ চাওঁ চাওঁ হে বৈকুণ্ঠনাথ,
তোমাৰ অনন্ত মহিমাচয়।
লওঁ লওঁ লওঁ হেৰা জ্ঞাননাথ,
তোমাৰ গীতাৰ ধৰ্ম্ম নিচয়।
লগোৱাঁ লগোৱাঁ হেৰা মোৰ নাথ,
তোমাৰ মতত ইন্দ্ৰিয়চয়।
দিয়াঁ দিয়াঁ দিয়াঁ হেৰা প্ৰাণনাথ,
যি ঠাইত তোমাৰ কীৰ্ত্তন হয়
নেযাবা কলকো, মোতে প্ৰিয়নাথ,
থাকাচোঁ সততে সেৱিম মই।
সকলো কৰম তোমাতেই নাথ,
কৰিছোঁ অৰ্পণ হে দয়াময়।
সকলোৰে কৰ্ত্তা তুমি প্ৰেমনাথ,
বুলি জানো মই ইহে নিশ্চয়।



তোমাৰ প্ৰেমত জগত মোহিত,
তুমিহে পৰম আনন্দময়।
তোমাৰ লগত কথা পাতি থাকি,
পাহৰোঁ সকলো জগত ভয়।
জ্ঞান জ্ঞেয় তুমি সকলো জ্ঞাতাৰ,
তুমিহে ক্ষেত্ৰজ্ঞ গীতাত কয়।
সকলো ক্ষেত্ৰৰে তুমিহে সাক্ষী,
তোমাতেই হয় উদ্ভৱ লয়।
তুমি মোৰ ধ্যান, তুমি মোৰ জ্ঞান,
তুমি মোৰ তোমাৰেই হওঁ মই।
কুলা নীলপদ্ম সদৃশ বৰণ,
দেখিলে মনত আনন্দ হয়।
অৰুণ পদ্ম দলে সুনয়ন,
আহাঁ কি বিচিত্ৰ তৈজসময়।
পদ্মৰ ওপৰত উঠি আছা,
হাতত পায়স মাখন লই।
গোপাল গোপাল বুলি মাতো যেৱে,
দেখা দিয়া আহি ওচৰতেই।
সুগোল কপোল কান্তি কৰি চোৱাঁ,
বেথা লাগে কেনে কি কম মই।
বজোৱাঁচোঁ বাক বজোৱাঁ বাঁহীটি,
সত্ব ৰজ তম ত্ৰিগুণময়।
সাত্বিক ভাৱত চলি চলি মন,
বাঁহীৰ মাতত হওক লয়।
বুলোৱাঁ বুলোৱাঁ কোমল আঙুলি,
সপত সুৰৰ লাগোক লয়।
নিষাদ-ঋষভ-গান্ধাৰ-ষড়জ,
মধ্যম-ধৈৱত পঞ্চম-ময়।

নিস্তব্ধ হওক লোক জগতৰ,
নয়ন থাকোক একেথিৰ হই।
মনে মনে মনে প্ৰাণে প্ৰাণে প্ৰাণে
দেখক জগত আপুনিময়।
ক্ষুদ্ৰ ব্ৰহ্মাণ্ডত যত বস্তু আছে,
সকলো তোমাৰ, আমাৰ নাই।
তুমি দিয়া ধন বুদ্ধি গৰ্ব্ব মন,
আৰু যত আছে ইন্দ্ৰিয়চয়।
যি ইন্দ্ৰিয় লই শুভাশুভ কাম
কৰিছে সততে ব্ৰহ্মাণ্ডময়।
অতএব তাৰ তুমিহে গৰাকী,
তুমিহে চালক অনবৰতেই।
মেয়ো তোমাৰেই ভাল বাটে মোক
চলাবা নিশ্চয় নকৰা ভয়।
খাওঁতে শোওঁতে উঠোতে বহোঁতে,
তোমা ভিন্ন আন্ নেদেখোঁ মই।
সাক্ষীৰূপে প্ৰভু আছা তুমি চাই
সকলো ভূতক সদানন্দময়।
সকলোতে সম যি ভজে তোমাক,
তেওঁহে যাথোন তব প্ৰিয় হয়।
যেতিয়া তোমাৰ প্ৰিয় বন্ধু হয়,
কৰিলে জগত তেৱেঁই জয়।
দেখিলে যেতিয়া তোমাৰ স্বৰূপ,
বিধিনি তেতিয়া আতৰ হয়।
তোমাতে উদ্ভব প্ৰপঞ্চ জগত,
ঘূৰি তোমাতেই হইছে লয়।
তুমিয়ে পালিছা গোটেই জগত,
তোমাৰে বিভূতি অখণ্ড হয়।



তুমি মায়া পাতি বাৰু হৰুচোন,
এবাৰ বজোৱা বাঁহীটি লই।
বাঁহীৰ সুৰত সকলো জগত
থাকিব নিশ্চয় নিস্তব্ধ হই।
ৰু-নু-ঝুং গুটি লই যতনেৰে,
বাঁহীৰ মাততে দিয়া মিলাই।
উৰি গইচোন সোমাওক কাণত,
সকলো গোপৰ উঠিব জাঁই।
চাটিকুটি কৰি ইফালে সিফালে
বিচাৰি ফুৰিব আকুল হই।
তুমি কেনি আছা কিনো কৰিছা,
তোমাতেই আহি হবহি লয়।
তব বাসস্থান স্নেহৰ গোলোকে
কৰিছে হৰিব তোমাক লই।
বৈকুণ্ঠ দক্ষিণে গোলোক ধামত
আছা তুমি সদা জানিছোঁ মই।

শ্ৰীগোলোকচন্দ্ৰ বৰুৱা, কাব্যবিনোদ।

---

# কৈবৰ্ত্ত ( নদীয়াল বা ডোম )।

আসাম দেশত তল খাপৰ হিন্দুৰ ভিতৰত কৈবৰ্ত্তক (নদীয়াল বা ডোমক) হাবিত বাজে বাকি অইন সকলো কুলীয়া মানুহে ইমান নীহ বুলি ঘিণায় যে এওঁবিলাকৰ হাতে পানী চলা দূৰৈত থাকক এওঁলোকক চুলেও স্নান কৰি শুচি হব লাগে। এওঁলোক নো অস্পৃশ্য কিহৰ নিমিত্তে? কেৱল মাছ বেচে আৰু শামুকৰ চূণ পোৰে বুলিয়েই নে কি? দেখাত দেখোন এওঁলোকৰ আচাৰ ব্যৱহাৰ সজ কুলীয়া হিন্দুৰে সৈতে কোনো ৰকমৰ ব্যতিক্ৰম নাই। আৰু খাত্ত সম্বন্ধেও অইন দেশৰ ( বঙ্গলা আৰু হিন্দুস্থান

প্ৰভৃতি দেশৰ ) তল থাপৰ অস্পৃশ্য হিন্দুৰ দৰে এওঁলোকে অখাদ্য বা কুখাদ্য নেখায়। এওঁলোকৰ শ্ৰাদ্ধ-বিধি পূজা পাঠ ইত্যাদি ধৰ্ম্ম সম্বন্ধীয় কাৰ্য্যবোৰো সজ জাতৰ হিন্দুৰ নিচিনা। তথাপিও এওঁবিলাকক ইমান নীহ বুলি ঘিণোৱাৰ কাৰণ কি? যদি এওঁলোকক বঙ্গদেশৰ কৈবৰ্ত্ত ( জেলেৰ ) লগত একে শ্ৰেণীত ধৰা যায় তেনেহলে এওঁলোকতো অস্পৃশ্য জাত নহয় আৰু এওঁলোকৰ হাতে পানী চলালেও তিমান দোষৰ নহয়। যদি এওঁলোকক বঙ্গদেশৰ বা হিন্দুস্থানৰ ডোমৰ লগত এক শ্ৰেণীত ধৰা যায় তেনেহলে অৱশ্যে এওঁলোক অস্পৃশ্য আৰু হাতে পানী নচলা। কিন্তু এওঁবিলাকৰ আচাৰ ব্যৱহাৰ খোৱাবোৱা সম্পৰ্কে বঙ্গদেশৰ ডোমৰ লগত কোনোৰূপ সাদৃশ্য দেখা নেযায়। সিহঁত কেৱল নামত হে হিন্দু। আহাৰৰ সম্বন্ধে সিহঁতৰ কোনো বাছবিচাৰ নাই। সিহঁতে মদ, গাহৰী, কুকুৰা ইত্যাদি হিন্দুৰ অখাদ্য ভক্ষণ কৰে আৰু সিহঁতৰ জীবিকা নিৰ্ব্বাহৰ উপায়,—মৰা শব পেলোৱা আৰু বাঁহৰ পাচি, খৰাহি, কুলা, চালনী ইত্যাদি তৈয়াৰ কৰি বেচা। এতেকে দেখিবলৈ পোৱা যায় যে ইহঁতৰ কাৰ্য্যকলাপৰে সৈতে আসামৰ ডোমৰ ( কৈবৰ্ত্তৰ বা নদীয়ালৰ ) কাজ কৰ্ম্মৰ লগত কোনোৰূপ মিল নাই; কেৱল বঙ্গদেশৰ কৈবৰ্ত্তৰ ( বা জেলেৰ ) লগতহে সম্পূৰ্ণ ৰূপে মিল। কাজে কাজেই এওঁলোক অস্পৃশ্য নহয়। গোসাঁইসকলে অহিন্দু আৰু হিন্দুৰ অখাদ্য আহাৰী ( মদ, কুকুৰা, গাহৰী, শাল, শিঙি আৰু শুকান মাছ খোৱা ) মিকীৰ, কছাৰি, লালুং, গাৰো, ইত্যাদি মানুহকো উদ্ধাৰ কৰি তল থাপৰ হিন্দুলৈ তুলি লয় আৰু সেইবিলাকো কেইপুৰুষমানৰ পিছত কৈবৰ্ত্ততকৈ ( ডোম বা নদীয়ালতকৈ ) সজ হৈ পৰে। কিন্তু কৈবৰ্ত্তবিলাক হলে যি নদীয়াল নদীয়ালেই ( ডোম ডোমেই ) হৈ থাকিব পায় আৰু তেওঁলোক অস্পৃশ্য!! এইতো জানো তেওঁলোকৰ ওপৰত অবিচাৰ কৰা নহয়? আমাৰ গোসাঁইসকলে তেওঁলোকৰ ( কৈবৰ্ত্তৰ ) ওপৰত অলপ কৃপা কৰিলে যথাবিহিত প্ৰতিকাৰ সোনকালে হব পাৰে। এই বিষয়ত যদি দেশৰ শিক্ষিত গণ্যমান্য লোকসকলে সুনজৰ দিয়ে তেন্তে অচিৰে ইয়াৰ যথাবিহিত প্ৰতিকাৰ গোসাঁইসকলৰ পৰা হব তাৰ আৰু কোনো ভুল নাই। আমাৰ স্বল্প বুদ্ধি বিবেচনাৰে

১। ২। ৩। } এই অধ্যায়ত আজিকালি অচলিত -৯৮, ১০. ঠাঁ



এইয়েই অভিমত যে অনতিবিলম্বে এই সম্বন্ধে যথাবিহিত প্ৰতিকাৰ হোৱা অত্যাৱশ্যকীয়।

শ্ৰীচন্দ্ৰকান্ত বৰুৱা *

আসানসল, ( বৰ্দ্ধমান )।

---

# অৱতাৰ বাদ।

[ জ্ঞানেন্দ্ৰনাথ ভাৰতী আৰু মনোৰাম ]

জ্ঞানেন্দ্ৰ :—বোপা কি কথা সোধোঁ বুলিছিলা সোধা। সংসাৰৰ কামৰ পৰা এতিয়া অলপ আজৰি পাইছোঁ।

মনোৰাম :—দেউ, "অৱতাৰ বাদৰ" বিষয়ে মোৰ সুধিব লগীয়া বহুত কথা আছে। আপোনাৰো আজৰি নাই। সম্প্ৰতি "অৱতাৰ বাদৰ" প্ৰয়োজনটি মই জানিব খোজোঁ।

জ্ঞানেন্দ্ৰ :—ভাল কথা। প্ৰশ্নৰূপেই তোমাক উত্তৰ দিওঁ। বাৰু তুমি নিজ বুদ্ধিৰেই উপজি পৰিয়েই কথাবাৰ্ত্তা কবলৈ আৰু কানিকাপোৰ পিন্ধিবলৈ শিকিলা নে কাৰবাক দেখিহে অনুকৰণ কৰিছা?

মনোৰাম :—আই বোপাই আৰু ওচৰচুবুৰীয়াক দেখি বয়সৰ লগেলগে শিকি আহিছোঁ?

জ্ঞানেন্দ্ৰ :- লেখা পঢ়াও তেনেকৈ আনৰপৰাহে শিকিছা? সংসাৰ চলোৱাও তেনেকৈয়ে আনৰপৰা শিকা?

মনো :—হয়।

জ্ঞান :— জীৱন-মুক্ত হব কৰি সুখ শান্তিৰ ৰাজ্য লভিবলৈও সেইদৰে

---

* এই প্ৰবন্ধটিৰ লেখক আৰু ইহসংসাৰত নাই! অলপতে তেওঁ নৱবিবাহিতা হোৱালী ভাৰ্য্যাক বিধৱা কৰি, বাৰু বন্ধুবান্ধৱক শোকত বুৰাই, পৃথিৱী পৰিত্যাগ কৰিলে! চন্দ্ৰকান্ত, শ্ৰীযুক্ত ভোলানাথ বৰুৱা ডাঙৰীয়াৰ ভতিজাক আছিল। তেওঁ লোকৰ শোকত আমাৰ আন্তৰিক গভীৰ শোক মিলাই আমি এইখাৰ লেখিলোঁ। ঈশ্বৰৰ ইচ্ছা। "নিয়তি কেন বাধ্যতে"।—সম্পাদক।

আমাক শিক্ষক আৰু আহি লাগে। কবি আনন্দচন্দ্ৰৰ "জীৱন-সঙ্গীতত" পোৱা নাই নে "মহা মহা পুৰুষৰ, চানেকীৰে জীৱনৰ, আমিও কৰিব পাৰোঁ জীৱন গঢ়িত" ইত্যাদি। যিসকল মহাপুৰুষৰ জীৱনৰ আহি লৈ মানুহে সংসাৰ খুব শান্তিময় কৰে সেইসকল মহাপুৰুষেই অৱতাৰ। "অৱতাৰ"ৰ প্ৰকৃতিগত অৰ্থ—যেয়ে অৱতৰণ কৰে, অৰ্থাৎ এই পৃথিবীলৈ আহি জনম লয়। সেই হিচাপতে আমি প্ৰত্যেকে একোজন অৱতাৰ। কিন্তু অৱতাৰ শব্দটি যতেততে নাখাটে। ই পঙ্কজ আদি শব্দৰ দৰে বিশেষ অৰ্থসূচক আৰু বিশেষ ব্যক্তিবোধক। হিতোপদেশত আছে—

"স জাতো যেন জাতেন যাতি বংশঃ সমুন্নতিম্।
পৰিবৰ্ত্তিনি সংসাৰে মৃতঃ কোৱা ন জায়তে॥"

এই শ্লোকত ইয়াকে বুজাইছে যে সকলো প্ৰাণীয়েই জাত অৰ্থাৎ উপজিছে। কিন্তু যাৰ জন্মৰপৰা বংশ উজ্জ্বল হৈছে তেওঁৰেই হে জাত অৰ্থাৎ ওপজা সাৰ্থক। সেইদৰে আমি সকলোৱেই অৱতৰণ কৰিছোঁহক। কিন্তু যি বিলাকৰ অৱতৰণৰপৰা সমাজ, দেশ বা পৃথিবীৰ উপকাৰ হৈছে তেওঁ বিলাকেই হে যথাৰ্থ "অৱতাৰ"।

মনো:—দেউ, মানুহৰ সমাজৰ উন্নতি কৰিবলৈ একোজন মানুহ অৱতাৰ হয় এইটো এতিয়া বুজিলোঁ। কিন্তু আমাৰ শাস্ত্ৰবিলাকত দেখোন মাছ কাছ গাহৰি এই সকলো অৱতাৰ হৈ আছে। ই নো কি কথা?

জ্ঞানেন্দ্ৰ:—বোপা, কুৰি শতিকাৰ শিক্ষিত ডেকাৰ মনত যেনেকৈ মানুহত বাজে সকলো প্ৰাণীয়েই কিছুমান বধ্য আৰু কিছুমান ভক্ষ্য বুলি বিশ্বাস, তাহানি পুৰণি-কলীয়া ঋষি মুনিৰ মনত তেনে নাছিল। বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলো বস্তু আৰু প্ৰাণীৰ ভিতৰত তেওঁলোকৰ ঈশ্বৰোপলব্ধি হৈছিল। যি মাছ কাছ গাহৰিৰপৰা অলপ উপকাৰ পাইছিল, সেই মাছ কাছ গাহৰিকো "অৱতাৰ" অৰ্থাৎ আহি বুলি তেওঁলোকে স্বীকাৰ কৰিছিল। গোটেইবোৰ পুৰাণৰ অধ্যাত্মিক অৰ্থ বুজাবলৈ বা সেই বোৰৰপৰা ঐতিহাসিক তথ্য উলিয়াবলৈ মোৰ ক্ষমতা আৰু আজৰি নাই। কিন্তু মোট কথা ইয়াকে বুলিলেই হব যে অৱতাৰ মানে জগতৰ দেশৰ বা সমাজৰ এটি উপকাৰী প্ৰাণী।



ধনো:—কিছুমানে কয় অৱতাৰ দহটি, কিছুমানৰ মতে অৱতাৰ চৌবিশটি, কিছুমানৰ মতেবা অগণন। কোনটি নো সঁচা?

জ্ঞানেন্দ্ৰ:—প্ৰত্যেকটি কথাই সঁচা। উদাহৰণৰ স্বৰূপেই তোমাক কওঁ। তুমি মুঠতে দহোটা, জগতৰ উপকাৰ কৰি যোৱা প্ৰাণীৰ কথা জানা। আন এজনে চৌবিশজনৰ কথা জানে আৰু এজনে চৌবিশ-শ জনৰ কথা জানে। এই তিনিওজনৰ মনত যথাক্ৰমে দহ, চৌবিশ, আৰু চৌবিশ-শয়ে অৱতাৰ। মোৰো আৰু এটি হাতী অৱতাৰৰ কথা জনা আছে। আসামত এজন ডাঙৰ মানুহৰ এজনী বৰ ধুনীয়া আৰু সৰ্ব্বসুলক্ষণীয়া মাখুন্দিহাতী আছিল। সেইজন ডাঙৰ মানুহৰ লৰা ছোৱালীবিলাকৰ ভিতৰত ৰূপবান, গুণবান, সচ্চৰিত্ৰবান এটি বৰ মৰমৰ লৰাও আছিল। ১৮৯৭ চনৰ বৰ ভুঁইকঁপৰ কথা বোধ কৰোঁ তোমাৰ মনত পৰে। সেই সময়ত সেই লৰাটিৰ বয়স ২০।২২ বছৰ। ভুঁইকঁপৰ দিনা ৰাতিপুৱাই এজন বন্ধুৰে তেওঁ সেই হাতীজনীত উঠি ঘৰৰপৰা দহ, বাৰ মাইল মান দূৰৈৰ হাবিয়নিলৈ পহু মাৰিবলৈ গৈছিল। তেওঁবিলাক হাবিৰ মাজত পহু খেদি থাকোতেই ভুঁইকঁপ আৰম্ভ হল। চাই থাকোতেই হাবিয়নিখন আৰু ওচৰৰ গাওঁ বোৰ তললৈ ডবি পানীৰ তল হল। আৰু সেই পানীৰ তলৰপৰা মাটি ফুটি উহ ওলাবলৈ ধৰিলে। মানুহ, গৰু, হাবিৰ পহু, আৰু অইন জীৱজন্তু বহুত পানীত বুৰি বা উহত পোতখাই মৰিল। প্ৰকৃতিৰ এনে ভয়ঙ্কৰ বিপ্লৱ, হাবিৰ মাজ আৰু তাৰ ওপৰত মিতমৰা এন্ধাৰ। হাতীৰ মাউতে গুণজৰিৰ পৰা ঠেং উলিয়াই হাতীৰ মুৰত বহিল। শিকাৰী বন্ধু দুজনেও জীৱনৰ আশা এৰি দি হাতীজনীয়ে নিজইচ্ছাৰে যেনি নিয়ে তেনি যাবলৈ ধৰিলে। ইপিনে ঘৰৰ ফালেও সকলোৱে তেওঁলোকৰ জীৱনৰ ওপৰত নিৰাশ হৈ কান্দিবলৈ ধৰিলে। এনে অৱস্থাত সেই হাতীজনীয়ে খুপি খুপি অকাইপকাই পুৱতিনিশা নিৰাপদে আহি গিৰিহঁতৰ ঘৰত ডেকা দুজনক নমাই দিলেহি। তেতিয়াৰেপৰা সেই হাতীজনী ঘৰৰবোৰাৰ মৰম আৰু ভক্তিৰ বস্তু হৈ উঠিছিল। হাতীজনী ওপৰত কোৱা ঘটনাৰ আঠ বছৰ মানৰ মুৰত মৰে। তোমালোক ইংৰাজি শিকা লৰা। কথাটো তোমালোকৰ মনত কিমান বিশ্বাসযোগ্য হয় কব নোৱাৰোঁ। সেই হাতীজনী মৰাৰপৰা

গৃহস্থৰ মহা পইমাল হবলৈ ধৰিলে। প্ৰথমতে গৃহলক্ষ্মী ঢুকায়। তাৰ পাছত ঘৰৰ ভাওৰীয়া গৰাকী। এই মৰে দুই তিনি বছৰৰ ভিতৰতে ঘৰৰ ৭।৮ জন মান মৰি ঘৰ প্ৰায় ছাৰখাৰ হব লগীয়া হল। এতিয়া ভাবি চোৱা যদি হাতীজনী তাহানিৰ ৰাম ৰজা বা যুধিষ্ঠিৰ সম্ৰাটৰ হলহেঁতেন আৰু হাতীজনী মৰাৰ পাছত যদি সেইদৰে ৰাজ্যৰ পইমাল হলহেঁতেন, তেন্তে সংস্কৃত পণ্ডিতৰ হাতত সেই ঘটনা পৰি সেই হাতীজনী বিষ্ণুৰ একাদশ বা পঞ্চবিংশতি অৱতাৰ নহলহেঁতেন নে? এতিয়াও পৃথিবীৰ দেশৰ বা সমাজৰ নহলেও অন্ততঃ সেই গৃহস্থৰ ঘৰৰ মানুহবিলাকৰ মানত হাতীজনী এটি অৱতাৰ বিশেষ। তাইৰ নামটিও শ্ৰদ্ধা আৰু মৰমেৰেহে তেওঁলোকে সোঁৱৰে। তোমাৰ মাছ, কাছ, গাহৰি আদিক অৱতাৰ মনা প্ৰশ্নৰ উত্তৰস্বৰূপে এই কথাটি কলোঁ।

মনোঃ—দেউ, এতিয়া বুজিলোঁ মানুহত বাজেও কিছুমান ইতৰ প্ৰাণীকো নো কিয় ঋষি মুনিসকলে অৱতাৰ বুলিছিল। পাছে কিছুমান অৱতাৰ সক, কিছুমান অৱতাৰ ডাঙৰ নো হয় কিয়?

জ্ঞানেন্দ্ৰ: - কামৰ বৃহত্ত আৰু আৰু ক্ষুদ্ৰত্ব অনুসৰি অৱতাৰ পূৰ্ণ আৰু কলা আংশিক। মানুহৰ জীৱন যাত্ৰাৰ সকলোবিলাক উপায় যাৰ জীৱনৰ আৰ্হিৰপৰা আমি জানিব পাৰোঁ তেওঁ পূৰ্ণ; আৰু সিসকলৰ জীৱনীত দুটি এটি অনুকৰ্ত্তব্য ঘটনা পাওঁ তেওঁবিলাক কলা বা আংশিক অৱতাৰ।

মনো:—কোনোজন অৱতাৰক পূৰ্ণব্ৰহ্ম বা কোনোজনক কলাব্ৰহ্ম নো বোলে কিয়?

জ্ঞানেন্দ্ৰ:—কথাটি বুজিবলৈ যেনোন নিচেই উজু। ইয়াকে নুবুজিলানে? গীতাতে আছে--

"মমৈবাংশো জীৱলোকে জীৱভূতঃ সনাতনঃ।"

অৰ্থাৎ জীৱ জগতত মোৰেই (অৰ্থাৎ ঈশ্বৰৰ) অংশ সনাতন আত্মা হৈ আছে। আৰু "অহমাত্মা গুড়াকেশ সৰ্ব্বভূতাশ্ৰয়স্থিতঃ।" অৰ্থাৎ সকলো প্ৰাণীৰ হৃদয়ত থকা আত্মাময়েই (অৰ্থাৎ ঈশ্বৰেই)। মহাপুৰুষ শঙ্কৰদেৱেও কীৰ্ত্তনত গাই গৈছে,—

"তোমাৰে সে অংশ আমি যত জীৱজাক।"



ইয়াৰ কথা মোটামুটিকৈ বুজিবলৈ গলে এই যে জগতৰ যি ভাল গুণ সকলো ঈশ্বৰৰ। সনাতন আত্মাত বাজেও প্ৰাণীবিলাকৰ প্ৰত্যেকৰে এটা নহয় এটা ভাল গুণ আছেই। প্ৰত্যেক প্ৰাণী মাত্ৰেই ব্ৰহ্মাংশ।

আমাৰ বংশৰ, সমাজৰ, দেশৰ বা মহাদেশৰ ভিতৰত যিসকলৰ সকলো বিলাক গুণ আছিল, তেওঁলোক পূৰ্ণব্ৰহ্ম, পূৰ্ণ মনুষ্য বা পূৰ্ণ অৱতাৰ। আৰু যিসকলৰ আংশিক কিছুমান গুণ আছে, তেঁওবিলাক কলাব্ৰহ্ম বা আংশিক অৱতাৰ। আমাতকৈ কোনো বিষয়ত উৎকৃষ্টজনো সেই বিষয়ত আমাৰ অৱতাৰ অৰ্থাৎ অনুকৰণীয়।

মনো:—দেউ, "অৱতাৰবাদে" ঈশ্বৰ প্ৰাপ্তিৰ সহায়তা কৰে নে?

জ্ঞানেন্দ্ৰ:—"ঈশ্বৰ প্ৰাপ্তি" বুলি যদি কিবা এটা আছে, তেন্তে সেইটি অৱতাৰবাদৰপৰাহে হয়। খনিকৰে গছগছনিৰ আৰ্হি লৈ গছ, জন্তুৰ আৰ্হি লৈ জন্তু আৰু মানুহৰ আৰ্হি লৈ মানুহৰ পট আঁকে। সেইদৰে মানুহৰ জীৱনত মহাপুৰুষসকলৰ আৰ্হি লব লাগে। এজন বীৰ মহাপুৰুষৰ জীৱনীৰপৰা বীৰত্ব, দয়ালুৰ জীৱনীৰপৰা দয়া, ভক্তৰপৰা ভক্তি, ৰাজনৈতিকৰপৰা ৰাজনীতি, বিশ্বাসীৰপৰা বিশ্বাস আদিৰ আৰ্হি আখি লব লাগে। যি যিজন মহাপুৰুষত একেলগে এটাইবোৰ জ্ঞান আৰু গুণ আছিল তেঁওৰ জীৱনীকেই আমি আমাৰ জীৱন তৰণীৰ ধ্ৰুৱতৰা বুলি লব লাগে। তেনেজন মহাপুৰুষৰ জীৱন সুঁৱৰি সেই আৰ্হিৰে কাম কৰি জীৱন কটোৱাজনৰ যি পৰিণামৰ সুখ আৰু শান্তি তাকেই ঈশ্বৰ প্ৰাপ্তি বোলে। ইয়াত বাজে ঈশ্বৰ প্ৰাপ্তি কি মই নেজানো। কাৰণ ঈশ্বৰ "অবাঙ্মনসো গোচৰঃ" (বাক্য মনৰ অতীত), "ক্লেশ কৰ্ম্মবিপাকাশয়ৈ ৰপৰা মৃষ্ট পুৰুষবিশেষঃ" (ক্লেশ, কৰ্ম্ম, বিপাক, আশয়ে নোপোৱা এটি কাৰ্য্যকৰীশক্তি বিশেষ), "অনাদি মধ্যান্ত মজম বৃদ্ধিক্ষয়মচ্যুতম" (আদি, অন্ত, মধ্য, জন্ম, বৃদ্ধি, ক্ষয় আৰু চ্যুতিহীন) বা "নেতি নেতি" (এইটো নহয়, সেইটো নহয়, অৰ্থাৎ যি দেখিছো যি শুনিছো যি জানিছো সি নহয়) এইবুলি মহা মহা মনিষী পুৰুষসকলে কৈ গৈছে। গতিকে এনে ঈশ্বৰ আৰু ঈশ্বৰ প্ৰাপ্তি তুমি মই কি বুজিমহঁক?

মনো: দেউ, আপোনাৰ কথাত আজি আৱতাৰবাদ আৰু তাৰ

প্ৰয়োজনীয়তা বঢ়িয়াকৈ বুজিলোঁ। আজিলৈ ইমানতে থাকোক। আৰু শুধিবলগীয়া বহুত কথা থাকিল সময় পালে পাছে শুধিম।

জ্ঞানেন্দ্ৰ :—এবা আজিলৈ যোৱা বাক। আমাৰো সংসাৰৰ চিন্তাই পালেহি।

শ্ৰীযশস্পতি শৰ্ম্মা।

---

## ল পঢ়া।

এদিন গাৱঁলীয়া মানুহ এটা চহৰলৈ আহি চিনাকী লৰা এটি লগ পাই শুধিলে "বোপা! ককায়েৰা আজিকালি ক'ত?"

ল'ৰা—কলিকতাত।

মানুহ—পাছে তাত নো এতিয়া তেওঁ কি কৰে?

ল'ৰা—কি কৰিব আৰু,—"ল" পঢ়ে।

শুনি মানুহটো বৰ আচৰিত হ'ল। কিয়নো, মানুহটোৱে আজি দহ বাৰ বছৰৰ পৰা তেওঁক এই জিল্লাতে পঢ়া দেখি আহিছে; ইংৰাজিতো হেনো তেওঁ 'পাছ' হল। এতিয়ানো সামান্য "ল" এটাকে পঢ়িবলৈ তেওঁ কলিকতালৈ যাব লগা হ'লনে? ইমান দিনে "ল" পঢ়া শুনি ল'ৰাটো গাধা যেন ভাবি তাৰ থং উঠিল। সি শুধিলে—"ইমান দিনেও যদি তেওঁ "ল" কেতে পঢ়িছে তেন্তে "ৱ" পঢ়িব কেতিয়া?"

এম, মোছলেহ উদ্দিন আহমদ।

---

## হৰিভক্ত বৈষ্ণৱ।

ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ এই চাৰি জাতি একেজন পৰমেশ্বৰৰপৰা উৎপত্তি হৈছে। এওঁবিলাকৰ ভিতৰত প্ৰত্যেক জাতিৰ নিজ নিজ কৰ্ম্ম নিয়োজন কৰি দিয়া আছে। প্ৰমাণ.—শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ আগত কুৰুক্ষেত্ৰ যুদ্ধত প্ৰকাশ কৰিছে। শ্ৰীমদ্ভগবদগীতা, ১৮শ অধ্যায়, ৪১।৪২।৪৩।৪৪ শ্লোক। ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ এই চাৰি জাতিৰ ভিতৰত হৰিভক্ত বৈষ্ণৱ শ্ৰেষ্ঠ। প্ৰমাণ,—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, বিদুৰ উদ্ধৱ সংবাদ।



ঈশ্বৰে সৃষ্টিৰ কালত ৪ জাতি সৃষ্টি কৰি তেওঁবিলাকৰ কৰ্ত্তব্য কৰ্ম্মও নিয়োজন কৰে। এই কথা শ্ৰীমদ্ভাগৱত আৰু ভগৱদ্ গীতাত উত্তমৰূপে লিখা আছে।

১০০ বছৰৰ পূৰ্ব্বে এই চাৰি জাতিয়ে যি প্ৰকাৰ নিয়ম পালন কৰি ঈশ্বৰৰ উপাসনা আদি কাৰ্য্য নিৰ্ব্বাহ কৰিছিল. ৫০ বৰ্ষৰ পূৰ্ব্বে তাতকৈ কম হল; আৰু ২০০ বৰ্ষৰ পূৰ্ব্বে যি আছিল এতিয়া সম্পূৰ্ণ বিপৰীত দেখা যায়। ব্ৰাহ্মণৰ কাৰ্য্য যি প্ৰকাৰ বেদত বিহিত আছে আধুনিক ব্ৰাহ্মণসকলে কদাপি সেই দৰে চলা নাই। অপৰ তিনি জাতিৰো তদনুৰূপে অনিয়ম হৈছে তাক আমি সকলোৱে মনত মানিব লাগে। ৫০ বছৰৰ পূৰ্ব্বে আমি ১৩।১৪ বছৰীয়া আছিলোঁ, তেতিয়া তান্ত্ৰিক ব্ৰাহ্মণ কি বৈদিক মন্ত্ৰ-ধাৰী ব্ৰাহ্মণসকলে পুৱা শুই উঠাৰপৰা সদাচাৰ স্নান তৰ্পণ কৰি সন্ধ্যা কৰে, তাৰ পাছত পূজা আৰু হোম সমাধা কৰি যি ব্ৰাহ্মণ যি পটলৰ সেই মতে সহস্ৰ-নাম আৰু গীতা পাঠ কৰি যেতিয়া শেষ কৰে তেতিয়া প্ৰায় দিনৰ এক বাজে, এনে সময়ত আহাৰ কৰে; কৰি যাৰ যি সাংসাৰিক কি বৈষয়িক কাৰ্য্য তাত তেওঁ প্ৰবৃত্ত হৈ পুনৰ সন্ধ্যা সময়ত সায়ং সন্ধ্যাৰ কাৰ্য্য সমাধা কৰি, বহি পুৰাণ ভাৰত আদি ধৰ্ম্মশাস্ত্ৰৰ আলোচনাত কাল কটাইছিল। ৰজাৰ ঘৰৰ বিষয়া বাবত কোনো থাকিলে সেইসকলে সোনকালে বন্ধা কামখনি কৰিহে ৰজাৰ ঘৰৰ কাম কৰিছিল। হিন্দু ৰজাই ব্ৰাহ্মণৰ কাৰ্য্য নকৰা ব্ৰাহ্মণসকলক শাসনো কৰিছিল। যেতিয়া হিন্দু ৰজাৰপৰা ইংৰাজৰ ৰাজ্য হল তেতিয়া সমাজে এইসকল কাৰ্য্যত নজৰ দিছিল। ক্ৰমে ব্ৰাহ্মণাদি লোকৰ কাৰ্য্যানুষ্ঠান কালৰ স্ৰোতত ক্ষয় পায়। তথাপি যিসকল ব্ৰাহ্মণ সেইসকলে তিনি সন্ধ্যা কৰি আছে। প্ৰায় ব্ৰাহ্মণসকলৰ লৰাবোৰ ইংৰাজি বিদ্যা শিক্ষা কৰিবলৈ দিলে নিজ ধৰ্ম্মৰ ব্যাঘাত হব বুলি আমাৰ বৃদ্ধ পিতা পিতামহসকলে প্ৰায়ে ব্ৰাহ্মণৰ লৰাক ইংৰাজি পঢ়িবলৈ নিদিছিল। কালৰ গতিকে ক্ৰমে সকলো লৰা দিবলৈ বাধ্য হৈ ক্ৰমে ইংৰাজি শিক্ষাত সকলো অৱনত হল। আমাৰ দেশত সংস্কৃত বিদ্যা শিক্ষাৰ, লগে লগে হ্ৰাস হৈ গৈ লৰাবেপৰা স্কুলত শিক্ষা পাই বি এ, এম এ, হৈ নিজৰ পৈতৃক ধৰ্ম্ম আৰু ৰীতি নীতি নো কি

একেস্বৰে কৰ্ণৰ অগোচৰৰ দৰে তেওঁলোকৰ হৈ পৰিল। কাজে কাজে ব্ৰাহ্মণৰ আচাৰ ব্যৱহাৰ আদি যি কাৰ্য্য আছিল সেইবোৰ ক্ষয় হৈ আহিছে। পূৰ্ব্বে শ্ৰীশংকৰদেৱ ও মাধৱদেৱ মহাপুৰুষসকলে ঐশ্বৰিক গুণেৰে পৃথিৱীত অৱতাৰ হৈ শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম প্ৰকাশ কৰি এই আসাম ৰাজ্যৰ দুৰ্গম আন্ধাৰত বাতি জলাই ক্ৰমে তন্ত্ৰ মন্ত্ৰ যাগ যোগ আদি কঠোৰ তপস্যাৰ পৰিবৰ্ত্তে সুগম বৈষ্ণৱ ধৰ্ম্ম সংস্থাপন কৰি স্থানে স্থানে সত্ৰ সভা স্থাপন কৰিলে; আৰু ভাগৱত গীতা আদি শাস্ত্ৰ সংস্কৃতৰপৰা ভাঙ্গি কলিৰ অল্পসত্ব প্ৰজাৰ কি প্ৰকাৰ মোক্ষ লাভ হয় তাৰ উপায় কৰিলে; ব্ৰাহ্মণসকলৰ ত্ৰিসন্ধ্যা ৰাখি হৰিনাম কীৰ্ত্তনৰ প্ৰথা উলিয়ালে আৰু স্থান সত্ৰবোৰত ১৪ প্ৰসঙ্গ স্থাপন কৰিলে। মহাপুৰুষে শেষ কালত দেখিলে যে স্থান সত্ৰৰ বাহিৰে লোকসকলে ১৪ প্ৰসঙ্গ যে কৰিব পাৰিব এনে নহয়, সেইদেখি তেখেতে অপৰ লোকৰ কাৰণে কেৱল তিনি প্ৰসঙ্গ ৰাখি গল। এই দৰে মহাপুৰুষীয়া ব্ৰাহ্মণ শূদ্ৰই এই আসাম ৰাজ্যত আজি পৰ্য্যন্ত নিয়ম চলাই আছে বুলি আমি বিশ্বাস কৰোঁ। শিৱসিংহ ৰজাৰ দিনত যেতিয়া পৰ্ব্বতীয়া মুকলিমূৰীয়া আৰু নগোসাঁইসকলৰপৰা ৰজাই মন্ত্ৰ গ্ৰহণ কৰিলে, ৰজাই ভাল পাব বুলি ৰজাৰ ঘৰৰ কিছু কিছু কৰ্ম্মচাৰীয়ে নিজ ধৰ্ম্ম পৰিত্যাগ কৰি তান্ত্ৰিক ধৰ্ম্ম গ্ৰহণ কৰিলে। তাৰেপৰা মহাপুৰুষৰ ধৰ্ম্মক তান্ত্ৰিকসকলে হেয় কৰে। ক্ৰমশঃ আসামত এই প্ৰথাত চলাসকলেও তন্ত্ৰ মন্ত্ৰ ৰক্ষা কৰিবলৈ অপাৰগ হৈ আহিছে। ৺শ্ৰীমদভাগৱতত প্ৰথম স্কন্ধৰপৰা ১২শ স্কন্ধ পৰ্য্যন্ত লিখিছে যে কলিত মুল হৰিনাম, অতএৱ আমি সকলোৱে আনবোৰলৈ চেষ্টা নকৰি এই হৰিনাম লবলৈ চেষ্টা কৰোঁহঁক, তেনেহলে নিশ্চয় আমাৰ সকলোৱে ইহকাল পৰকাল উভয় লোকত উন্নতি হৈ আমি উচিত সুখ ভোগ কৰিব পাৰিমহঁক। আমি তান্ত্ৰিক কি মহাপুৰুষীয়া কাকো নিন্দা কৰা নাই আৰু কৰা অনুচিত বুলি জানো। এতিয়া আমি দেখিব লাগে যে শ্ৰীমদভাগৱতত আৰু বেদ উপনিষদ আদি শাস্ত্ৰতো জাতি ধৰ্ম্মৰ বিষয়ে অনেক কথা ব্যাখ্যা কৰি দেখাইছে। ব্যাসদেৱে মনত অশান্তি পাই নাৰদ আগত কয় যে মই অনেক



শাস্ত্ৰ কৰিলোঁ। কিন্তু মোৰ মনত শান্তি পোৱা নাই; কাৰণ একো নাজানো। নাৰদে ব্যাসদেৱক কলে যে হৰিনামৰ মাহাত্ম্য সম্বলিত হৰিকথা ৰসেৰে মিশ্ৰিত এনে শাস্ত্ৰ তুমি কৰা নাই; সেই বাবে তোমাৰ মনতুষ্টি হোৱা নাই। তুমি হৰিকথাৰ ৰস সংযুক্ত ভাগৱত বৰ্ণন কৰা, তেতিয়া তোমাৰ মনত শান্তি পাবা, আশা পূৰ্ণ হব। নাৰদৰ উপদেশত ব্যাসে শ্ৰীমদভাগৱত প্ৰকাশ কৰিছে। সূতে এই ভাগৱত বৰ্ণন শুনি আছিল। নৈমিষাৰণ্যত সৌনকাদি ঋষিসকলে সহস্ৰ বৎসৰ হোমাদি যজ্ঞ কৰ্ম্ম সমাধা কৰি আছিল; ওচৰতে সূত আছিল, তেওঁক তেওঁলোকে কলে যে তুমি ব্যাস বিৰচিত ভাগৱত আমাক শ্ৰৱণ কৰোৱা, ভাগৱত শ্ৰৱণত আমাৰ চিত্ত নিৰ্ম্মল হওক, ভগৱানত ভক্তিযুক্ত হওক। সৌনকাদি ঋষিসকলে সহস্ৰ বৎসৰ যজ্ঞাদি কৰি শেষত ভাগৱত শুনিহে চিত্ত শুদ্ধি কৰি হৰিপৰায়ণ হৈছে। আৰু সূত সেইহেতুকে ঈশ্বৰৰ গুণানুবাদ কৰি ঋষিসকলৰ শ্ৰেষ্ঠ পূজনীয় হল। এতেকে এইটো নিশ্চয় মনত ভাবিব লাগে যে হৰিপৰায়ণ বৈষ্ণৱসকলৰ জাতি ভেদ নাই, ব্ৰাহ্মণতকৈ সেইসকল শ্ৰেষ্ঠ।

শ্ৰীজগন্নাথ বেজবৰুৱা।

---

# আমাৰ তীৰ্থপৰ্য্যটন।

( ৩ )

পৰদিন ১০ বজাত গয়া ষ্টেচন পোৱা হল। ৰেলৰপৰা নমা মাত্ৰকে গয়াৰ ৰব ৰব পাণ্ডাবিলাকৰ ছাতুৱাবিলাকে নিজ নিজ পাণ্ডাবিলাকৰ নাম কাঢ়ি কাঢ়ি আমাৰ ঘৰলৈ আহাঁ আহাঁ বুলি হুমুনি দি ধৰিবলেহি। আমি তামোছা কৰিবৰ কাৰণে কাৰো নাম নকৈ মনে মনে আছোঁ। আমাক তেওঁবিলাকে শোধে, "তোমাদেৰ কোন দেশ, কোথায় বাড়ী?" আমি ধেমালি কৰি কওঁ, "আমি খাৰণি খোৱা দেশৰ"। তেওঁবিলাকে বুজি নাপাই আকৌ শোধে, কোন দেশ?" আমি কওঁ "খৰিচা খোৱা।" তেওঁবিলাকে বুজি নাপাই আকৌ বিষান বাৰ শোধে সিমানবাৰ অসমীয়া গাওঁবিলাকৰ নাম কোৱা হয়। কোনো

পাণ্ডাৰ নাম কঢ়া নহল। অৱশেষত এজন এৰন কৰি তেওঁলোক উঠি গল। পাছত জনদেক ছাতুৱা আমাৰ ওচৰত বহি মৃদুস্বৰে আলাপ কৰিবলৈ ধৰিলে। অল্পব্যয়ত আমাৰ পাণ্ডাই শ্ৰাদ্ধ কৰ্ম্ম সমাধা কৰিব অতএব আমাৰ পাণ্ডাৰ ওচৰলৈ আহাঁ, এইদৰে প্ৰলোভন দেখুৱাই অনেক ৰকমে তেওঁলোকে কথা কবলৈ ধৰিলে। অৱে এবিলে কিন্তু কৰ্পতীয়ে নেৰিলে, ছাতুৱা পাণ্ডাবিলাকে আমাক নেৰা হল। যেনে নিয়মে তেওঁলোকে আমাক মাতিছে, যেন কৰবাত আমাক বন্ধা হে পাতিব খুজিছে। অৱশেষত, আমি স্পষ্ট কৰি কলোঁ, যে "আমি মাধৱলাল কাটাৰি, দক্ষিণ দৰ্জ্জাত যাম।" এই কথা কোৱা মাত্ৰকে সকলো উঠি গল। আমাৰ নাম কঢ়া পাণ্ডাজনৰ ছাতুৱাজনে আমাক উক্ত পাণ্ডাজনৰ ঘৰলৈ লৈ গল। এইজন পাণ্ডাক আমি চিনি নাপাওঁ, কিন্তু শ্ৰদ্ধাস্পদ প্ৰিয় সখি শ্ৰীযুক্ত---গোস্বামীৰ অনুমত্যানুসাৰে, এওঁক দেখা পোৱা হল। সখিয়ে যেনেকৈ কলে সেইদৰেই সকলো কাৰ্য্য সমাধা হল, এওঁ আমাক একো আহকাল নকৰিলে, বিহকে দিলোঁ তাতে সন্তোষ হল। গয়াৰ পাণ্ডালৈ সকলোৱে ভয় কৰে, আমি হলে বৰ সন্তোষ পালোঁ। এইজনা পাণ্ডা বৰ ভাল মানুহ, আমাৰ দেশৰ প্ৰায় গোসাঞসকল এওঁৰ ওচৰলৈ আহে। এওঁৰ ঘৰত ক্ৰমে ৭দিন বাস কৰি, গয়াৰ দৃশ্যবস্তু সকলো চোৱা হল। এদিন বুদ্ধগয়া চাবলৈ যোৱা হল। তাতে বুদ্ধদেৱৰ পাষাণ নিৰ্ম্মিত প্ৰতিমূৰ্ত্তি এটি মন্দিৰৰ ভিতৰত দেখা হল। মূৰ্ত্তিটি বৰ বৃহৎ; ওপৰত স্বৰ্ণ ৰবণীয়া কলাই কৰা। জোতা মোজা পিন্ধা জনদেক চিনা মিস্ত্ৰীৰিয়ে ৫০০ মান ঘৃত প্ৰদীপ জলাই থিয় দি বুদ্ধদেৱক পূজা কৰিছে, নৈবিদ্যাদি একো নাই, মন্ত্ৰ-তন্ত্ৰ একো নাই। কেৱলমাত্ৰ প্ৰদীপবিলাক জলাই আছে। মন্দিৰটি বৰ সুন্দৰ আছিল; পোৰাসুঠানে বহুত ভাঙিলে। ভগ্নাৱশেষ বহুত আছে, দেখিলে বৰ দুখ লাগে, যি দেখিছে সি জানিছে। গয়াত যিসকলে থাপৰি শ্ৰাদ্ধ কৰে, সেইসকলে এই বুদ্ধগয়াত পিণ্ড দিয়া ঠাই আছে। এই বুদ্ধগয়াৰ ওচৰতে এজন "সাধু সন্ন্যাসী" আছে, এওঁৰ শৰীৰত গেৰুৱা বস্ত্ৰ, দাঢ়ি মুৰ মুণ্ডিত। আমি প্ৰথমে এওঁক বৌদ্ধ ধৰ্ম্মাচৰ্য্য বুলি ভাবিছিলোঁ, পাছত হে জানিলোঁ, নহয়। এওঁৰ বাৰ্ষিক সৰ্ব্বমোট



পাঁচ লাখ টকা আয় হয় হেনো; হাতী দুগোট আছে। আমাৰ দেশৰ হাতীয়ে ঘাঁহ খায়, কাঠ টনা, মানুহ উঠা কাম কৰে, এই দেশৰ হাতীয়ে ঘিউত ভজা কটি খাই বহি আছে। আৰু উট, গাধ, ঘোৰা, গৰু, মহ অনেক সম্পত্তি এওঁৰ আছে। প্ৰতিদিনে ২০০ মান লোকে এওঁ দিয়া আহাৰ কৰে। এওঁ থকা ঘৰবিলাক দালান, দেখিবলৈ বৰ সুন্দৰ। আমি পদব্ৰজে সাধুৰ বিভূতি চাই ফুৰিছোঁ। ঘৰবিলাকৰ মাজতে উচ্চ তিন মহলীয়া ঘৰ আছে ওপৰ মহলত সাধু বহি আছিল; খিলিকী দৰ্জ্জাৰগুণে, সাধুৰ চকু আমাৰ চকু চাৰি চকু মিল হল। সাধু আহি মাজৰ মহলত বহিল, আমিও সাধুৰ অনুমত্যানুৰে মাজৰ মহলত উপস্থিত হলোঁগৈ। গোটাসিটি বৰ সুসজ্জিত,আৰ, ফানুচ, চক্ৰাঙ্গৰ দ্বাৰাই পৰিপূৰ্ণ। এবেগেত মান ওখ,চাৰি হাত মান দীঘল, দুই হাত মান বহল এখনি চালপীৰাৰ ওপৰত এবেগেত মান ওখ এখনি তুলী, তাতে এটি গাৰু, এখনি বগা বিছনা তাৰ ওপৰত পৰা; এনে এখনি গদিৰ ওপৰতে সাধুজনা আহি বহিল। এজন ভৃত্যাই এখনি বৃহৎ কাৰ্পেট সাধুৰ আগতে পাৰি দিলে, সাধুৰ ইঙ্গিতানুসাৰে তাতে আমি বহিলোঁ। সোণৰ গুণাৰে গঠন কৰা এটি মুৰমুৰীত সাধুজনে ধপাত খাবলৈ ধৰিলে। এখনি ঠালত আমাকো মছলাসহ পাণ চোকাৰি খাবলৈ দিলে। আমি তেওঁক দেখি আমাৰ দেশৰ গোসাঞসকললৈ আমাৰ মনত পৰিছিল, কিন্তু আমাৰ দেশৰ গোসাঞসকলে সুবস্ত্ৰেৰে ভূষিত হৈ, সোণ সুবৰ্ণ পিন্ধি উচ্চাসনত বহি থাকে, অন্যান্য লোকবিলাক মাটিত আঠু পাৰি বহি থাকিব লাগে; এওঁবিলাকৰ আগত জানিবা তাকে কৰিব নালাগে। আমাৰ দেশত যদিবাও কোনোজন অধিকাৰে ধপাত চুৰৎ খায়, কিন্তু গোপনে; এওঁ জানিবা দেখাদেখিকৈ খায়, আৰু অলঙ্কাৰ নিপিন্ধে, সন্ন্যাসীৰ ধৰণ। আমাৰ গোসাঁইৰ জানিবা বজাৰ ধৰণ, আৰু অঙ্গ অলঙ্কাৰাদিৰে পৰিপূৰ্ণ; আৰু আমাৰ গোসাঞসকলে দুখীয়া দৰিদ্ৰৰ লগত কথাবৰ্ত্তা নহয়, সৰহকৈ ধন নিদিলে দৰিদ্ৰক আদৰ নকৰে, আৰু আশয় পায় বুলি বৰকৈ কথা নহয়। এইদৰে অনেক কথাৰ অনৈক্য দেখা হল। অৱশেষত এওঁ আমাক সুধিলে, "আপোনাসকল কোন দেশৰপৰা আহিছে? কোন ধৰ্ম্ম আশ্ৰয় কৰে?" আমি কলোঁ, "আমি

কামৰূপী গৃহস্থী ব্ৰাহ্মণ, হিন্দুধৰ্ম্মী বৈষ্ণৱ। আপোনাৰ কোন আশ্ৰম, কাঁক উপাসনা কৰে ?" সাধুজনে কলে, "আমি ব্ৰহ্মচাৰী, স্মাৰ্ত্ত ধৰ্ম্ম, সকলো দেৱতাক উপাসনা কৰোঁ, সকলো দেৱতাক পূজা কৰোঁ, অন্তৰখাৰাই পূজা কৰাওঁ। তোমালোকে বিষ্ণুবিনা অন্যদেৱতাক পূজা কৰা নে নকৰা কোৱাচোন ?"

আমি কলোঁ, "বিষ্ণু বিনা কাকো পূজা নকৰোঁ, কাৰণ ভাগৱতত— "যথাহি স্কন্ধ শাখানাং, তৰোৰ্মূলাৱসেচনং। এৱমাৰাধনং বিষ্ণুং, সৰ্ব্বেষা মাত্মনশ্চহি।" এই বচনানুসাৰে বিষ্ণুক আৰাধনা কৰিলেই হয়, অন্যক আৰাধনা কৰাৰ একো সকাম নাই।

সাধুৱে শুধিলে—পঞ্চদেৱতাক পূজা কৰা নে নকৰা ?

আমি কলোঁ—নকৰোঁ, যিসকলে কৰ্ম্মফল আশা কৰে সেইসকলে পূজা কৰে, আমি কৰ্ম্মফল আশা নকৰোঁ, পূৰ্ব্বজন্মত যি আৰ্জি আহিছোঁ সেয়ে হব, তাত দুখ নকৰোঁ, আনন্দও নকৰোঁ, কৰ্ম্মবন্ধৰ ফল কোনেও খণ্ডাবও নোৱাৰে দিবও নোৱাৰে। বিশেষতঃ শিৱক আৰাধনা কৰিলে বিদ্যা হয় অৰ্থাৎ জ্ঞান হয়, গৌৰীক আৰাধনা কৰিলে সম্পত্তি হয়, সূৰ্য্যক আৰাধনা কৰিলে ৰোগৰপৰা আৰোগ্য হয়, গনেশক উপাসা কৰিলে বিঘ্ননাশ হয়, বিষ্ণুক আৰাধনা কৰিলে মুক্তি পায়। শাস্ত্ৰত কৈছে "কৃষ্ণাদন্যঃন মুক্তিদঃ"। "মুক্তিং মিচ্ছেৎ জনাৰ্দ্দনে"। এই নিমিত্তে একনাক জানো, মানো, উপাসনা কৰোঁ। অপুনি সৰ্ব্বভক্ষ হুতাশনৰ দৰে কি ধৰ্ম্ম ধৰিছে একো নাজানিলোঁ।

সাধুৱে কলে--ব্ৰাহ্মণৰ লৰা হলে সকলো দেৱতাৰ উপাসনা কৰিব লাগে, তন্ত্ৰ শাস্ত্ৰত ভালকৈ কৈছে ; তন্ত্ৰ ভালকৈ পঢ়িব লাগে।

আমি কলোঁ—দেৱতাবিলাকৰ কাকূতি শুনি,স্বয়ং নাৰায়ণে শিৱৰ দ্বাৰাই আগম ধৰ্ম্ম ( তন্ত্ৰ শাস্ত্ৰ ) নিৰ্ম্মাণ কৰাই, অবিদ্যাৰত জীৱক সংসাৰত লিপ্ত কৰিবৰ কাৰণে, আৰু দেৱতাসকলৰো পূজা বাঢ়িবৰ কাৰণে তন্ত্ৰশাস্ত্ৰ প্ৰজন কৰালে, এই কথা পদ্মপুৰাণীয় বৃহৎ বিষ্ণুসহস্ৰনামত স্পষ্টৰূপে লিখা আছে, মহাৰাজে জানো দেখা নাই ?

সাধুৱে কলে—আপুনি বিষ্ণুক কি কি বস্তু দি পূজা কৰে ?



আমি কলোঁ—ঈশ্বৰক দিবৰ যোগ্য আমাৰ একো বস্তু নাই, তেওঁৰ কিহৰ অভাৱ ? যিজন পৰমেশ্বৰে এই সংসাৰচক্ৰ নিৰ্ম্মাণ কৰিছে, স্ৰজন, পালন, সংহাৰ, প্ৰতিদিনে মুহূৰ্ত্তে পলে বিপলে নিমিষে কৰি আছে, তেনেজনা ভগৱানক কি বস্তু দি পূজা কৰিব খুজিছে। কেৱল ধ্যান-ধ্যাৰণা, উপাসনা, শ্ৰৱণ কীৰ্ত্তন কৰিলেই পৰমেশ্বৰ তুষ্ট হয়, তেওঁৰ অন্য দ্ৰব্যৰ আৱশ্যক নাই। বাহ্য পূজা অধমৰ অধম বুলি শাস্ত্ৰই পণ্ডিতে কৈ আছে বাৰম্বাৰ।

সাধুৱে কলে—অতবিলাক মানুহে নানা উপহাৰ দি কিয় পূজা কৰে, ইয়াৰ তাৎপৰ্য্য কি ?

আমি কলোঁ—"যদি, খাওতা থাকে, তেনেহলে উপহাৰাদিৰ দ্বাৰাই পূজা কৰিলে একো বেয়া নহয়। যেনে. একজন পূজাৰিয়ে পূজা কৰিলে পূজাৰিজনে যিমান খাব পাৰে সিমান উৎসৰ্গা কৰিব পাৰে, তাত একো দোষ নাই। তাক নকৰি যদি একজন ব্ৰাহ্মণে এক মোন তজা লুচি ঈশ্বৰক দিলে, পাছত খাওতা নহলে. অনৰ্থক লুচিমোন নষ্ট হব. ঈশ্বৰে নাখায়। সেইদৰে অনৰ্থক পূজা নকৰিব. খাওতা হলে দ্ৰব্যাদি পূজা দি কৰিব, পাছত সকলোৱে বাটি খাই পেলাব। খাওতা নহলে নিদিব নিশ্চয় কলোঁ। এই বিষয় আৰু এটি কথা কও শুনক,—কোনো এখন দেশৰ চাৰিজন বন্ধু গঙ্গাস্নান কৰিবলৈ আহিছিল, প্ৰতিজনে তজালুচি দুইমোন তৎপৰিমাণে দৈ ডালি তৰিতৰ্কাৰি কিনিলে। একনে গঙ্গাদেৱী সুপ্ৰসন্ন হবৰ কাৰণে সমুদয় দ্ৰব্যবিলাক গঙ্গাজলত পেলাই দি পূজা কৰিলে। দ্বিতীয়জনে, পাৰ্থিব শিৱলিঙ্গ সাজি সমুদয় দ্ৰব্য শিৱৰ মুণ্ডত ঢালি পূজা কৰি, পেলাই দিলে। তৃতীয়জনে, বিষ্ণু সুপ্ৰীতি হবৰ কাৰণে ভয়ানক অগ্নি জ্বালি সমস্ত দ্ৰব্যবিলাক অগ্নিত আহুতি কৰিলে। চতুৰ্থজনে ১০০ একশত জন ভিক্ষুকক ভোজন কৰালে, মহাৰাজ, এই চাৰিজনৰ ভিতৰত কোন জনে ভাল কাম কৰিলে, বিবেচনা কৰি কওক।"

সাধুৱে কলে—যিজনে ভিক্ষুকক ভোজন কৰালে তাৰ উত্তম কাম হল, বাকি তিনজনৰ অগ্নিত পানিৰে হোম কৰাৰ নিচিনা হল।

আমি কলোঁ—তেনে হলে আপুনি অনৰ্থক পূজা কিয় কৰে আৰু

চৈতন্যক এৰি কিয় জড়ক পূজা কৰে? আপুনি জ্ঞানৱন্ত লোক, আমি বিশেষ কি কম।

সাধুৱে কলে—বাস্তৱিকে পূজাসেৱা ? ব্ৰাহ্মবিধি সকলোবিলাক, ব্ৰাহ্মণৰ জীৱিকা নিৰ্ব্বাহৰ উপায় এই কথা সত্য, তথাপি হিন্দুধৰ্ম্মত থাকিলে পূজা কৰিব লাগে, নকৰিলে বেদ পৰিত্যাগ কৰা দোষে পাব। বাৰু আপোনা-সকলে দুৰ্গাক পূজা কৰে নে নকৰে?

আমি কলোঁ,—এজনাৰ বাজে কাকো পূজা নকৰোঁ। দুৰ্গাক পূজা নকৰোঁ।

সাধুৱে কলে—পূৰ্ব্বে ৰামচন্দ্ৰই পূজা কৰিছিল, আপোনাসকলে কিয় পূজা নকৰে?

আমি কলোঁ—ৰামচন্দ্ৰই কি নিমিত্তে পূজা কৰিছিল?

সাধুৱে কলে—ৰাৱণক বধিবৰ কাৰণে।

আমি কলোঁ—ৰামে পূজা কৰি ৰাৱণক মাৰিলে, আমি কাকো মাৰিব খোজা নাই, সেই কাৰণে পূজা নকৰোঁ।

সাধুৱে কলে—যদুবংশবিলাকে বলি বিধানেৰে দুৰ্গাক পূজা কৰিছিল, অতএৱ বৈষ্ণৱে পূজা কৰিব পাৰ।

আমি কলোঁ—শ্ৰীকৃষ্ণ স্যমন্ত মণি আনিবলৈ গৈ, জাম্বৱন্তৰ গাতত সোমোৱা হয়; এতিয়াও যদি আপোনাৰ কোনোবা গাতত সোমাইছে, তেনে হলে দুৰ্গাক পূজা কৰি গাতৰপৰা উলিয়াওক।

সাধুৱে কলে—চণ্ডিত কৈছে, সুৰথ ৰজাই পূজা কৰিছিল; সমাধি বৈশ্যই পূজা কৰিছিল; ইন্দ্ৰাদি দেৱতাগণে পূজা কৰিছে। আপুনি কিয় পূজা নকৰে?

আমি—চণ্ডিত সুস্পষ্ট লিখা আছে আপুনি চালে পাব, সুৰথে কৰ্ণাটৰ মহাৰজাক জয় কৰিবলৈ পূজা কৰিছিল, দুৰ্গাদেৱী তুষ্ট হৈ ৰজাৰ মনোবাঞ্ছা পূৰ্ণ কৰিলে। সমাধি বৈশ্যই তদীয় ভাৰ্য্যা আৰু পুত্ৰৰপৰা বিৰক্তি পাই, মেধস মুনিৰ আদেশানুসাৰে দুৰ্গাক আৰাধনা কৰিছিল, অৱশেষত দুৰ্গাৰ প্ৰসাদত তদীয় পুত্ৰ মৃত্যু হল, বৈশ্যীয়েকক গৃহৰপৰা বাজ কৰি নবীনা কন্যা বিবাহ কৰি সুখে কালযাপন কৰিলে। ইন্দ্ৰাদি দেৱতাগণে দুৰ্গাসুৰক



বধ কৰিবৰ কাৰণে দেৱীক আৰাধনা কৰা সত্য, দেৱীয়ে দেৱতাসকলৰ প্ৰতি তুষ্ট হৈ, দুৰ্গাসুৰক নিধন কৰি "দুৰ্গাদেৱী" নাম পালে; চণ্ডি পঢ়িলে বাহুল্য-ৰূপে জানিব পাৰিব। এতিয়া আপুনি ভাবি চিন্তি চাওক, নিষ্কাম ভাৱে দেৱীক পূজা কোনে কৰিছে, আমাৰ কোনো সকাম নাই, গতিকে পূজা নকৰোঁ। আৰু দেখক যোগ কৰিলে ভোগ পায়। তপ কৰিলে ৰজা হয়। কৰ্ম্ম কৰিলে ফল পায়। ভক্তি কৰিলে মুক্তি পায়। এয়ে আমাৰ অন্তঃকৰণৰ বিশ্বাস।

সাধু—যদি প্ৰকৃতপক্ষে আপোনাৰ এনে বিশ্বাস, তেনেহলে বিষ্ণুক আৰাধনা কৰি কি ফল প্ৰাৰ্থনা কৰে?

আমি—ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চতুৰ্ব্বৰ্গ হব লাগে বুলি প্ৰাৰ্থনা নকৰোঁ, কেৱলমাত্ৰ কৃষ্ণ দেৱৰ চৰণত যেন অখণ্ডিত ভক্তি হয় এইমাত্ৰ প্ৰাৰ্থনা কৰা হয়, জন্ম জন্মান্তৰে যেন তেওঁৰ চৰণ পাহৰিব নালাগে, ইয়াকে আমি প্ৰাৰ্থনা কৰোঁ, অতঃপৰ আমাক প্ৰতি সুপ্ৰসন্ন হোৱা বুলিও নকওঁ।

সাধু—আপুনি শিৱদুৰ্গা প্ৰভৃতি কোনো দেৱতাৰ নাম কেতিয়াও নলয় নে?

আমি—কেতিয়াও লোৱা মনত নপৰে, কোনো কামতে নেলাগে দেখি নলওঁ।

সাধু কোনো কামতে নেলাগে? ইয়াৰ প্ৰমাণ কি জানো কব লাগে?

আমি—ভাল বাৰু শুনক। "ঔষধে চিন্তয়েৎ বিষ্ণুং, ভোজনেতু জনাৰ্দ্দনং। শয়নে পদ্মনাভঞ্চ, বিবাহেচ প্ৰজাপতিং॥ যুদ্ধে চক্ৰধৰং দেৱং, প্ৰবাসেচ ত্ৰিবিক্ৰমং। কাননে নৰসিংহঞ্চ, পাৱকে জলশায়িনং॥ জল মধ্যে বাৰাহঞ্চ পৰ্ব্বতে ৰঘুনন্দনং। দুঃস্বপ্নে স্মৰ গোবিন্দং, সঙ্কটে মধুসূদনং। নাৰায়ণং তনু ত্যাগে, শ্ৰীধৰং প্ৰিয় সঙ্গমে॥ গমনে বামনঞ্চৈৱ, সৰ্ব্ব কাৰ্য্যেষু মাধৱং। যঃস্মৰেৎ পুণ্ডৰিকাক্ষং সবাহ্যাভ্যন্তৰঃ শুচিঃ॥" এতিয়া ভাবি চাওক, কোন সময়ত বিষ্ণুনাম এৰি আন দেৱতাৰ নাম লওঁ? বিষ্ণুনামৰ যিমান মাহাত্ম্য, অন্য দেৱতাৰ নামত নাই, বিষ্ণুনামৰ মাহাত্ম্য, অনন্তৰ হেজাৰ মুখেৰে ব্যক্ত কৰিও অন্ত কৰিব নোৱাৰে, আৰু অন্যে কোনে পাৰিব।

সাধু—( সহাস্যে ) আপোনাৰ লগত আলাপ কৰি বৰ সন্তোষ পালোঁ, কামৰূপতো যে বৈষ্ণব আছে বুলি আজিহে বিশ্বাস হল, কামৰূপত বৈষ্ণব ধৰ্ম্ম নাই বুলি কোৱা শুনিছিলোঁ। বৃন্দাবনত শাক্ত, কামৰূপত বৈষ্ণব! বাহ্ বা! কি ঈশ্বৰৰ সৃষ্টি! বহুত আপোনাৰ লগত দেখা কৰি আজি কৃতাৰ্থ হলোঁ। যেন আমালৈ নাপাহৰে এইহে ভাবনা।

আমি—আপোনাৰ লগত বহুত কথাবাৰ্ত্তা হলোঁ, যেন অধমক ক্ষমা কৰে। এইদৰে কথাবাৰ্ত্তা হৈ, আহি সন্ধ্যাসময় পুনঃ গয়া পালোঁহিহঁক। পৰদিন গুৰুসহ এজন ধনবান গয়ালী পাণ্ডাৰ ঘৰলৈ যোৱা হল, এওঁ গেনো আসামৰ বৰ পাণ্ডা। মানুহজন দেখিবলৈ বৰ সুন্দৰ, আমাৰ দেশৰ চাৰিজন মানুহ গোটালেও তেওঁৰ গাটোৰ সমান হয় নহয় ঠিক নাই। ছয়টি সোণৰ কলচী ঘৰৰ ওপৰত আছে, ইয়াতে তেওঁ কিমান ধনী বুজিব, বিশেষ কোৱা বাহুল্য মাত্ৰ। এটি সুসজ্জিত প্ৰকোষ্ঠত তেওঁ বহি আছে, এখনি বৃহৎ সতৰঞ্চি আগতে পৰা আছে, তাতে আমি বহিলোঁ। এজন ছাতুৱা পাণ্ডাই আমাক শুধিলে, তোমালোকৰ কোন দেশ, কোন বাড়ী, কৰ লাগে?

আমি কলোঁ, আসাম কামৰূপ। পাণ্ডাই শুধিলে, তোমালোক কত আছা, আমাৰ অধীনত থকা নাই। আসামৰ পাণ্ডা আমাৰ "কৰ্ত্তা"। তোমালোকে শ্ৰাদ্ধ পিণ্ড কৰিবা নে নাইকৰা, যদি কৰিবা কোনে কৰালে, আমাক গুৰু এৰিবা নে কি?

আমি কলো—এজন বন্ধুএ সৈতে আহি মাধৱলাল কাটাৰিৰ ঘৰতে সুখে আছোঁ, আজি শ্ৰাদ্ধৰ বন্দবস্ত কৰিবলৈ আহিছোঁ নহয়, আপোনাসকলক এৰি কালৈ যাম, এটাইবোৰ পাণ্ডা। এই কথা শুনা মাত্ৰকে বৰ পাণ্ডাজন উঠি আহি লগতে বহি কথা হবলৈ ধৰিলেহি। বৰ পাণ্ডাজনক কৰ্ত্তা বুলি সম্বোধন কৰা নিয়ম। এওঁবিলাকৰ ভাষা প্ৰায় হিন্দীভাষাৰ দৰে। আমাৰ কামৰূপী ভাষাও এওঁ অলপ জানে। আমি হিন্দী, বঙ্গলা, অসমীয়া, সকলো ভাষা কৈছেঁ। কোনোমতে পাণ্ডাই বুজিছে।

পাণ্ডাজনে কলে—আপোনাৰ কিনাম, দেশত কি ব্যৱসায় কৰি খায়?

গুৰুজনে কলে, আমাৰ নাম শ্ৰী—মিশ্ৰ দেৱশৰ্ম্মা গোস্বামী, ব্যৱসায় মন্ত্ৰদাতা, শিষ্যৰ উৎপন্নৰ দ্বাৰাই জীৱিকানিৰ্ব্বাহ কৰা হয়।



পাণ্ডা—আপোনাসকল মোৰ শিষ্য, আমাৰ ঘৰত থাকক আহি, মাধৱলাল কাটাৰিৰ ঘৰৰপৰা টোপোলা লৈ আহক, তেহে মই ভাল পাম। প্ৰায় আসামৰ গোসাঁই মহন্তবিলাক মাধৱলাল কাটাৰিৰ ঘৰত আহি থাকে, ইয়াৰ কাৰণ কি জানা নে? তাৰ ছাতুৱা পাণ্ডাবিলাক বৰ কাৰ্য্যদক্ষ, আমাৰবিলাক নাথ।

আমি কলোঁ—এঃ সেইবোৰ কথাত আবশ্যক নাই, আগেয়ে আমাৰ শ্ৰাদ্ধৰ সুবন্দবস্ত কৰিব লাগে, কি কেনেকৈ লাগে, তাক কব লাগে।

পাণ্ডা—প্ৰথমে আপোনাসকলে এটকাৰূপ, এটা নাৰিকল, পাণ চোকাৰি এটি আমাৰ ভৰিত দি গুৰু বৰণ কৰিব লাগিব।

আমি কলোঁ—তাৰ পিছত?

পাণ্ডা—শ্ৰাদ্ধ কৰি ক্ৰমে বিষ্ণুপদত পিণ্ড দিব লাগিব, তাৰ পিছত দক্ষিণা দি সুফল লব লাগিব। আমাৰ চৰণত জল এচলু দি সেৱা কৰি কৃতাৰ্থ হলোঁ বুলি জ্ঞান কৰিবা।

আমি কলোঁ—দক্ষিণা কিমান দিব লাগিব কৰ্ত্তা, স্পষ্ট কৰি কওক?

পাণ্ডা—হাতত মালাৰ বান্ধনি দি সময়গতিকে কম; অলপমান দিলেই হব।

আমি কলোঁ—এতিয়াই কওক কি লাগিব?

পাণ্ডাই কলে—তোমাক কিবা অংশ লাগিব নে?

আমি কলোঁ—আমাক নালাগে, আমি ছাতুৱা নহওঁ, আমি যাত্ৰী মানুহ।

পাণ্ডা—শ্ৰাদ্ধকৰ্ত্তাসকলে প্ৰতিজনে ৪০ চল্লিশ টকাকৈ দিব লাগিব।

আমি কলোঁ—কৰ্ত্তা আমি দুখীয়া মানুহ, ইমান টকা কত পাম, অল্পে কি দিয়ে কব নোৱাৰোঁ, মোৰ মনত যি আছে আছে।

পাণ্ডা—"বাক ত্ৰিশ টকাকৈ দিবা।" এইদৰে তেওঁ সৰহকৈ ধৰে, আমি দিব নোৱাৰোঁ বুলি কৈ কৈ, খপি খপি প্ৰতিজনে ১০ টকাত বল।

আমি কলোঁ—আনে যি দিয়ে দিয়ক, মই হলে কৰ্ত্তা, নিশ্চয় কলোঁ, এটকাৰূপ দিম, তাতকৈ দিয়া নহয়।

পাণ্ডাই কলে—আমাৰ লগত যেমালি কৰিছানে কি? ই যেমালিৰ কথ নহয়।

আমি কলোঁ—কৰ্ত্তা, ধেমালি কৰা নাই, সত্যকৰি কৈছোঁ এটকি ৰূপ দিম।

পাণ্ডা—এটকা ৰূপ দিলে সুফল নাপায়।

আমি কলোঁ—সুফল নিদিলে কি হব ?

পাণ্ডা—আমি অসন্তুষ্ট হম।

আমি কলোঁ—আপুনি অসন্তুষ্ট হলে আমাৰ কি হব, গয়াত ৭৮০ ঘৰ পাণ্ডা আছে, তাকৰীয়া ধনত কোনো এঘৰে সুফল দিব।

পাণ্ডাই অগ্নিশৰ্ম্মা হৈ উঠি কলে, "আমি আসামৰ পাণ্ডা, আমি সুফল নিদিলে, তোমাৰ চৌদ্দপুৰুষ অধোগতি হব, মোক সন্তোষ কৰঁা।"

আমি কলোঁ—১৮২৫ শকত মং পিতৃয়ে পিণ্ড দি চৌদ্দপুৰুষ ওপৰলৈ তুলিলে, এতিয়া আকৌ কব চৌদ্দপুৰুষ তললৈ আহিব ? এইখিনিতে আপুনি বাহ ।১৩াৰ ২০ বিশ টকা লৈ, সুফল দিছিল নহয়, মই আগতে চাই আছিলোঁ, এতিয়া আকৌ কব চৌদ্দপুৰুষ তললৈ যাব ? বোপায়ে পিণ্ড দি ওপৰলৈ তুলিব নোৱাৰিলে নে ? এতিয়া আকৌ কব চৌদ্দপুৰুষ তললৈ যাব ? এনেকুৱা কথাতেও মোৰ আশঙ্কা লাগে। মোৰ মনৰ ভাৱ এনে আছিল, যে গয়াত পিণ্ড দিলে, পিতৃগণ উৰ্দ্ধগামী হয়। এতিয়া বুজিলোঁ, আপোনা সকলৰ মুখেই "গয়া", টকা দিলেই ওপৰলৈ উঠে, টকা নিদিলেই তললৈ যায় কৰ্ত্তা! এতিয়া জানিবা মই ধাৰে ঋণে খুজি মাগি ৰূপ দহ টকা দি সুফল লৈ মোৰ চৌদ্দ পুৰুষক ওপৰলৈ তুলিম, কাইলৈ বা পৰহুইলৈ বংশৰ এজন দুখীয়া লোক আহি আপোনাক এটকা ৰূপ দিব, তেতিয়া আপুনি অসন্তুষ্ট হৈ কৈ দিব; তোৰ চৌদ্দপুৰুষ তললৈ যাওক, তেতিয়া সোপাই তললৈ যাব, এনে স্থলত এতিয়া নো মই ওপৰলৈ তুলি কৰিম কি! অতএব, কৰ্ত্তা, মই পিণ্ড নিদিওঁ, শ্ৰাদ্ধও নকৰোঁ, মোৰ বিশ্বাস নাইকিয়া হল।

পাণ্ডা—( স্বগত ) এইটো কব মানুহ, ই বৰ পাষণ্ড, ইয়াক এনে কথা কলে মান্তি নহয়। ( প্ৰকাশ্যে হাস্যকৰি ) তোমাৰ পিতাবাই পিণ্ড দি উপৰিপুৰুষসকলক স্বৰ্গলৈ তুলিলে, এতিয়া তুমি পিণ্ড দি তোমাৰ পিতৃয়াক ওপৰলৈ তুলি দিয়া। গয়ালৈ আহিলে পিণ্ড নিদিয়াকৈ যাব নাপায়।

আমি কলোঁ—গত বৎসৰ মোৰ বৰ ককাই আহি গয়াত পিণ্ড দি পিতৃক



ওপৰলৈ তুলি দিলে, মই পিণ্ড দিবলৈ কোনো নাই, মিছাতে পিণ্ড দি দুখ কৰোঁ কিয় ? হয়, হয়, আগেয়ে পাহৰিহে পিণ্ড দিব খুজিছিলোঁ, এতিয়াহে মনত পৰিল।

পাণ্ডা—( স্বগত ) কি সৰ্ব্বনাশ, এইটো বৰ চতুৰ মানুহ, ইয়াৰ আগত চাতুৰি কথা নাখাটে। ( প্ৰকাশ্যে ) গোসাঞি দেউ, আপুনি গয়া ক্ষেত্ৰলৈ আহিছে, ইয়াত পিণ্ড দি গয়াৰ সকলো কৰ্ম্ম সমাধা কৰক, আপুনি যিহকে দিয়ে তাকে দিব তাত আমাৰ আপত্তি নাই, কেৱল অন্তৰ নষ্ট নকৰিব, ইয়াকে ভাবসা কৰিলোঁ। বেদ ৰক্ষা কৰি কৰ্ম্ম কৰক, আপুনি দক্ষিণা যি দিয়ে দিব, কেৱলমাত্ৰ আমাক এসন্ধ্যা ভোজন কৰাব লাগিব। ( এইদৰে কৈ পাণ্ডাই বৰপেটটো উলিয়াই দেখুৱালে ) দেখঁা, আমাৰ কিমান ডাঙৰ পেট, ( পেটত চাপৰ দুটামান মাৰিলে। )

আমি কলোঁ—কৰ্ত্তা আপুনি কি বস্তু খাব ?

পাণ্ডাই কলে—আমি, মোহনভোগ, লুচি, সন্দেশ, মাখন, মিচিৰি ইত্যাদি খাওঁ, নতুবা ভোজনৰ টকা দিলেও হয়।

আমি কলোঁ—আমি যিহকে খাওঁ তাকে খুৱাব পাৰোঁ; এইবিলাক কত পাম।

পাণ্ডা—তোমালোকে কি কি বস্তু খোৱা ?

আমি—লোৰা-পিঠাগুৰি খাওঁ, কৰাইগুৰি খাওঁ, সুতুলী পিঠা খাওঁ, কোমল চাউল খাওঁ, খাৰণি খাওঁ, পকাখৰিছা খাওঁ, আম-কাহুদি খাওঁ, এইবিলাক বস্তু আমি খাওঁ; আপুনি কি খায় কওক মই আনি দিওঁ।

পাণ্ডা—কি খাৰণি খোৱা কথা কৈছা মই বুজা নাই।

আমি কলোঁ—আপুনি কি মোহনভোগৰ কথা কৈছে আমিয়ো বুজা নাই।

এইদৰে বহুত কৌতুক কৰা হল। অৱশেষত পাণ্ডাজনে মনতে ভাবি চিন্তি আমাক কলে, আপুনি আমাক কিনি আনি বস্তু খুৱাব নোৱাৰে মূল্য দিয়ক, আমি নিজে আনি লম।

আমি কলোঁ—কিমান লাগিব ?

পাণ্ডাজনে কলে—সৰহকৈ নালাগে, ৫।৬ টকা হলে আমাৰ ভোজন হৈ যাব।

আমি কলোঁ। কৰ্ত্তা, আপোনাক আমি ভোজন কৰাব নোৱাৰোঁ, আমি দুখীয়া মানুহ, জনদেক দুখিত ব্ৰাহ্মণক ভোজন কৰাম, আৰু কত্তৰ বালিত পৰিণকা, যেনাবি, হাতভৰি নাইকিয়া জনচেৰেকক ভোজন কৰাম। গীতাত কৈছে, দৰিদ্ৰক ভোজন কৰাব, দান দক্ষিণাও দিব লাগে, ধনী ব্ৰাহ্মণক দান দক্ষিণা কৰিবলৈ কোৱা নাই।

পাণ্ডা কলে—সেইবোৰ মহাপাপী, সিহঁতক খাবলৈ দিব নালাগে, দান দক্ষিণাও কৰিব নালাগে।

আমি কলোঁ—কৰ্ত্তা আপুনি যদি মাফ কৰে যদি একাকি কথা জনাব খোজোঁ।

পাণ্ডাই কলে—"একো ভয় নাই, স্বচ্ছন্দে কব পাৰা।" পাণ্ডাৰপৰা এনে কথা শুনি অতিশয় নম্ৰভাৱে কৃতাঞ্জলিপূৰ্ব্বক এনেকৈ কোৱা হল।— "কৰ্ত্তা, ধনী ধনী গয়ালী বৰ পাণ্ডাবিলাকে আমি স্বয়ং গদাধৰ বুলি যাত্ৰী-সকলৰ দ্বাৰাই নিজৰ চৰণত পূজা কৰাই, সেই পাপৰ ফলেৰে, অৱশেষত মৰি এই ফল্গুৰ বালিত হাত ভৰি নাইকিয়া হৈ পৰি থাকে, সেই নিমিত্তে এই বালিত পৰি থকা হাত ভৰি নাইকিয়াসকলক খুৱাব লাগে। ব্ৰাহ্মণ বুলি দক্ষিণা দিব লাগে, প্ৰকৃতপক্ষে এওঁবিলাক ব্ৰাহ্মণ, গয়াৰ বৰ পাণ্ডা।".

এনে কথা শুনি, বৰ পাণ্ডাজনে লজ্জাযুক্ত হৈ অল্প হাস্য কৰি কলে. আপোনাক এই কথা কোনে কলে, সি মূৰ্খ।

আমি কলোঁ—"ফৰ্চুন্ টেলৰ" ভবিষ্যৎবক্তা এজন পৰমহংসী সাধুৱে আমাক এই কথা বুজাই কলে।

পাণ্ডাই কলে—তেনে কথা নহয়, বিশ্বকৰ্ম্মাই নিৰ্ম্মাণ কৰা এই মন্দিৰ; ইয়াত বিষ্ণুপদ বিৰাজমান, ইয়াত অন্য ভাৱ কৰিব নাপায়; তাত আমি হৈছোঁ তীৰ্থস্বামী; ব্ৰহ্মাৰ বাক্য।

আমি কলোঁ—দিল্লীৰ তাজমহল মন্দিৰ গয়াৰ মন্দিৰতকৈ ভাল নে বেয়া, সেই মন্দিৰ কোনে নিৰ্ম্মাণ কৰা, কওকচোন কৰ্ত্তা?

পাণ্ডা—আগ্ৰাৰ তাজমহল মন্দিৰ গয়াৰ মন্দিৰতকৈ অতি উৎকৃষ্ট, ২২০০০ বাইচ হাজাৰ মানুহে ২২ বাইচ বৎসৰে সেই ঘৰটো সাজিছে, ভাৰতবৰ্ষত তেনে ঘৰ আৰু নাই।



গুৰু—কৰ্ত্তা, দেৱতাই সজাটো বেয়া হল, মানুহে সজাটো ভাল হল, ইয়ো এটা হাঁহি উঠা কথা।

পাণ্ডা—সেইবিলাক ভাবি নিলে কিবা হয়; সেইবোৰ ভাবি চিন্তি থাকিলে কি হব, কোনোমতে বেদ বাখি কৰ্ম্ম কৰিব লাগে, আপুনি এজন ধনী লোক, আসামৰ গুৰু সকলো জানে।

গুৰু—কৰ্ত্তা. আমি কিমান ধনী মানুহ, অনুগ্ৰহ কৰি কওক, নকলে নহয়, আপোনাৰ চৰণত ধৰি মাতিছোঁ, আমি কি ৰকম মানুহ সকলো কথা কব লাগে, আপুনি নকলে নহয়, কওক।

পাণ্ডা—তুমি কি ৰকম লোক, কিমান ধনী মানুহ আমি কেনেকৈ কম? আমি কি জ্যোতিষ জানো? আমি কি ইন্দ্ৰজাল বিদ্যা জানো? তাতে তোমাৰ সকলো কথা কব পাৰিম, আমি কেনেকৈ কম।

আমি কলোঁ—যিজন মানুহে আজ্ঞা কৰি আমাৰ চৌদ্দপুৰুষ ওপৰলৈ তুলিব পাৰে, যিজন পুৰুষ অসন্তুষ্ট হলে চৌদ্দপুৰুষক তললৈ নিব পাৰে, তেনেজন পুৰুষে আমি কিমান ধনী কিয় কব নোৱাৰিব? নহয় কৰ্ত্তা, আমাক প্ৰবঞ্চনা নকৰিব, আমি সবিনয়ে কৰজোৰ কৰি কৈছোঁ, অনুগ্ৰহ কৰি, আমাৰ মনৰ আশঙ্কা দূৰ কৰক।

পাণ্ডা—কিচুমান এনে কথা আছে তাৰ উত্তৰ দিব নোৱাৰি। মই কামৰূপী বহুত মানুহ পালোঁ, আপোনাৰ নিচিনা কাকো নাপালোঁ; আপুনি বৰ পণ্ডিত, আপোনাৰ বৰ সাহ: ইমান কথা আমাৰ আগত কোনেও আজি পৰ্য্যন্ত কোৱা নাই। আপোনাক প্ৰতি মই তুষ্ট হলোঁ, আপুনি যিহকে দিয়ে তাতে সন্তোষ হম, কোনো কথা নাই; কিন্তু এটি কথা ভাবসা কৰোঁ, এই দৰে অন্যৰ আগত যেন নকব, এই দৰে বুজালে সকলো লোকে বুজিব, আমাৰ ফালে পৰাজি পৰিব। তাতে আজিকালি সকলোবিলাক বিদ্বান্ হৈ উঠিছে, বিশেষ কি কম। কালি. "চান্‌চোৰা" বজাৰত আপুনি সন্ন্যাসীৰ বৃহৎ সভাত ধৰ্ম্ম বিষয়ে বক্তৃতা দিয়া মই শুনিবলৈ পাইছোঁ. বিশেষ কি কম। তেওঁ এই দৰে অনেক কথা কৈ, এচৰ সন্দেশ, ফুলৰমালা পিন্ধাই আশীৰ্ব্বাদ দি, থকাঠাইলৈ বিদায় দিলে। আমি সেই দিনা ৰাতি ১০ বজাত বৈদ্যনাথলৈ ৰেলযোগে যাত্ৰা কৰা হল।

শ্ৰীবৃহস্পতি শৰ্ম্মা।

## এখন চিঠি।

বাঁহীৰ সম্পাদক মহাশয়,

বৰ দুখৰ বিষয় যে শ্ৰীমালভোগৰাম দত্ত ভৰালী নামেৰে এজনে ১৯০২ চনত ডিবৰুগৰত "ভক্তি-প্ৰদীপ" নাম দি কিতাপ এখন ছপায়। শ্ৰীশঙ্কৰ দেৱে "ভকতি-প্ৰদীপ" নিজে গৰুড় পুৰাণৰপৰা ভাঙ্গি ৰচনা কৰে। এই শাস্ত্ৰ আমাৰ ঘৰতো আছে, আৰু মহাপুৰুষীয়া সত্ৰাদিত অনেক আছে। এই পুথিকে উক্ত মানুহজনে যথাইচ্ছা তাৰ শব্দ পদ বদলি কৰি, আৰু তাতে কোনো নতুন কথা যোগ দি ছপা কৰালে। এই কিতাপখন দেখি আমি বৰ দুখ পাইছোঁ,—হায়! শ্ৰীশঙ্কৰ গুৰুজনে কৰা শাস্ত্ৰৰ বিকৃতি কৰিবলৈকো মানুহ ওলাইছে! আশ্চৰ্য্যৰ কথা যে ১৯০২ চনৰপৰা এই কিতাপটো কোনো বিচক্ষণ লোকৰ চকুত পৰা নাই। কিতাপৰ পাতনিখন পঢ়িলে মানুহজনৰ সাহ দেখি আচৰিত মানিব লাগে। শ্ৰীশঙ্কৰ গুৰুজনৰ কৃত শাস্ত্ৰ বিকৃত কৰি প্ৰকাশ কৰা বাবে এই লোকজন দায়ী নহব নে?

ইতি—

শ্ৰীজে, বেজবৰুৱা। (শিৱসাগৰ)

### সম্পাদকৰ বক্তব্য

শ্ৰীশঙ্কৰদেৱৰ "ভকতি-প্ৰদীপ" গ্ৰন্থ এনেকৈ ছপা কৰা লোকজনৰ কাৰ্য্য দেখি আমিও আচৰিত মানিছোঁ। এওঁৰ কিতাপখনৰ "টাইটোল পেজত" আছে—"পৰমাৰ্থ-ভক্তি-তত্ত্ব বা ভক্তি-প্ৰদীপ," "আৰ্য্য জাতিৰ শাস্ত্ৰ-ৰত্নাকাৰ গৰুড় পুৰাণ অৱলম্বনে গূঢ় তাৎপৰ্য্য ও স্বৰূপাৰ্থ সহিত"। "ত্ৰিজগত-পূজ্য শ্ৰীশ্ৰীৰামকৃষ্ণ প্ৰভুৰ কৃপায় ৺শঙ্কৰদেৱ ও মাধৱদেৱৰ সাহায্যত শ্ৰীমালভোগ ৰাম দত্ত ভৰালী কৰ্ত্তৃক অসমীয়া ভাষাত ৰচিত ও প্ৰকাশিত"।—শ্ৰীশঙ্কৰ দেৱৰ গ্ৰন্থকে বিকৃত কৰি কোনো কোনো ঠাইত লৰচৰ কৰি ছপাই দত্ত ভৰালী শ্ৰীযুত মালভোগ ৰামে তাক নিজৰ ৰচিত বুলি কোনটো সাহেৰে আৰু কেনেকৈ অম্লানবদনে কথাষাৰ লেখিলে আমিও কব নোৱাৰোঁ। দত্ত ভৰালী চালাক লোক, তেওঁ "৺শঙ্কৰদেৱ ও মাধৱদেৱৰ সাহায্যত" বুলি পুলুকা মাৰিবলৈ বাট ৰাখিছে। কিন্তু কেনে "সাহায্যত" সেইটোৰ খোলোচা নাই। গৃহস্থই বাহিৰত ঘটিটো বাটিটো পেলাই থলে, বা ৰাতি ভুলত দুৱাৰ মেলি শুই থাকিলে, হাত-পাতল-ভৰি-পাতল কোনো বাহিৰা লোকক সেই বস্তু তুলি লৈ যোৱাত সাহায্য কৰা হয় নে? সেই ৰাত্ৰিচৰজনে আঁতৰি গৈ গৃহস্থৰ সাহায্য প্ৰাপ্তি পাকেপ্ৰকাৰে স্বীকাৰ কৰিলে "পুণ্য" উপাৰ্জ্জন হয় নে? এই দুটা প্ৰশ্নৰ উত্তৰ পালেহে আমি দত্ত ভৰালীৰ merit appreciate কৰিব অৰ্থাৎ গুণ শলাগিব পাৰিম। কিন্তু দত্ত ভৰালীয়ে নাজানে যে তেওঁ সাহায্য প্ৰাপ্তি স্বীকাৰ কৰাত মাধৱদেৱৰ সাহায্য সমূলি নাই, কাৰণ "ভকতি-প্ৰদীপ" পুথি শ্ৰীশঙ্কৰদেৱৰ হে ৰচিত।



কিতাপৰ পাতনিখন বিজোপন। তাতে "গ্ৰন্থকাৰে" লেখিছে, যে "আজি দশ বছৰ বহু পুৰুষাৰ্থেৰে এই ভক্তি-প্ৰদীপ পুথিখানি গৰুড় পুৰণৰপৰা অসমীয়া ভাষাত ৰচিত হল।" অথচ পুথিখন আজি চৰিশ বছৰৰ আগেয়েই শ্ৰীশঙ্কৰদেৱৰ দ্বাৰাই ৰচিত। অদত্তে পুথিখনৰ শব্দ আৰু পদ বিকৃত কৰিবলৈ, এই বাহাদুৰ "গ্ৰন্থকাৰক" দহ বছৰ লাগিব পাৰে, তেওঁৰ বুদ্ধি বিদ্যাৰ হে যি "দৌড়" কিতাপখনে দেখুৱাইছে!

লোকটিয়ে লেখিছে—"আসামৰ চিন ৰাখিবৰ আসাৰেহে এই কামত হাত দিছোঁ; পৃথিবীৰ সকলো নিয়মৰ আইন বা নিয়মৰ অধীন, পুৰণা পুথিবিলাকৰো পুনৰ ৰচনা কৰি প্ৰকাশ কৰা, ইয়ো দেশৰ নিয়ম ও বিধি।"

আসামৰ চিন ৰাখিবৰ আশাৰে, প্ৰথমতে শঙ্কৰদেৱৰ ৰচিত গ্ৰন্থৰ যে চিন মাৰিব লাগে, এইটো জ্ঞান এতিয়া আমাৰ হল। আৰু এটা জ্ঞান হল যে—পুৰণা পুথিবিলাক ছপা কৰিব লাগিলে সেইবোৰক পুনৰ ৰচনা কৰিহে প্ৰকাশ কৰিব লাগে, কাৰণ তেনে কৰাটো দেশৰ নিয়ম আৰু বিধি !!! এই কথা পঢ়ি আমাৰ জ্ঞানৰ ফালে যি হওক, এইটো ধাৰণা কিন্তু হৈছে যে "দত্ত ভৰালী" অকল আসামদেশৰে নালাগে, পৃথিবীৰ আন কোনো সভ্য দেশৰো অধিবাসী হোৱাটো অসম্ভৱ; হয় তেওঁ চন্দ্ৰলোকৰপৰা নামি আহিছে, নহয়, তেওঁ "হনলুলুস্থে আয়া।" কাৰণ পুৰণি পুথি ছপা কৰি প্ৰকাশ কৰিব লাগিলে যে তাক আকৌ নকৈ ৰচনা কৰিহে ছপা কৰিব লাগে এই আইন উল্লিখিত দুই ঠাইত থাকিব পাৰে, সভ্য জগতত

হলে থকাটো আমি বুজ নাপাওঁ। এওঁৰ মতে হলে, চেক্সপিয়েৰৰ হেম্‌লেট, অথেলো, কোনবাই নতুনকৈ ছপা কৰিব খুজিলে চেক্‌চ্‌পিয়েৰৰ ওপৰত কলম চলাই সেইবোৰ ন-কৈ ৰচনা কৰিব লাগিব, নতুবা সি বেআইনী হব। বেদ, ভাগৱত, গীতা ছপালেও প্ৰকাশকে সেইবোৰকো "সি কৰ্ম্ম" কৰিব লাগিব, তেহে কাৰ্য্যটো তেওঁৰ আইনসঙ্গত হব! আচাৰিত কথা যে আসামত এনেকুৱা লোকেও ছাপাখানাৰ আশ্ৰয় লয়!

এই নতুন "ভক্তি-প্ৰদীপৰ" গ্ৰন্থকাৰে তেওঁৰ পাতনিত অনেক মূল্যবান কথাৰে সৈতে আৰু এষাৰ কৈছে, শুনি থোৱা আৱশ্যক,—"এই পুথিখন মাধৱদেৱে ৰচনা কৰিছিল, কিন্তু অসম্পূৰ্ণ, তাৰ পদভাঙ্গা অমিত্ৰাক্ষৰ হোৱাত শুনিবলৈ ৰূপহ নহয়।"—প্ৰকাশকজনৰ আন যিবা হওক নহওক, "অমিত্ৰাক্ষৰ ছন্দৰ" জ্ঞানটো কিন্তু টন্‌টনীয়া। তেওঁ শঙ্কৰদেৱৰ "ভকতি-প্ৰদীপ" নতুনকৈ ৰচনা কৰি তাৰ কেনে উন্নতি সাধন কৰিছে তাৰ নমুনা চাবা নে?—

শঙ্কৰদেৱৰ—"নমো নমো দৈৱকী নন্দন দয়াশীল।"
এখেত কৰিছে—"নমো নমো দেব দৈৱকীৰ দয়াশীল।"
শঙ্কৰদেৱ—"কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।"
এখেত—"কৃষ্ণৰ কিঙ্কৰে কহে মাধৱে সম্প্ৰতি।"
শঙ্কৰদেৱ—"পুণ্য ক্ষয় ভৈলে ছুনাই নৰকত পৰে।"
এখেত "পুনঃ ক্ষয় ভৈলে ছুনা সংসাৰত পৰে।"
শঙ্কৰদেৱ—"মায়াময় দেৱধৰ্ম্ম সমস্তে বিনাশী।
আতো মোক্ষ আছে শুনি উঠে আতি হাসি।"
এখেত—"মায়াময় দেৱধৰ্ম্ম দেৱকে উপাসি।
যত মূৰ্খ আছে শুনি মোৰ উঠে হাঁসি॥"

এইজন "প্ৰকাশক গ্ৰন্থকাৰৰ" কাণ্ড আৰু আস্পৰ্দ্ধা দেখি বং ঢুবৰ কথা, সঁচাসঁচিকৈ আমাৰো হাঁহিহে উঠিছে; সেইদেখি সৰহ নকৈ এই খিনিতে সামৰাই ভাল। আজিকালি আসামত বঙ্গীয়া কল মালভোগ বুলি চলাৰ কেইবাটাও উদাহৰণ যে আমি দেখিবলৈ পোৱা নাই, এনে নহয়; কিন্তু শঙ্কৰদেৱৰ গ্ৰন্থৰ "অমিত্ৰাক্ষৰ"ক (?) মিত্ৰাক্ষৰ কৰি নকৈ নিজৰ বুলি ৰচনা কৰি চলাবলৈ যোৱাটো অৱশ্যে আৰু নতুন।



প্ৰকাশকজনে কৈছে—হাতে লেখা পুথিৰ "বৰ্ণশুদ্ধি" নহয়। সেইদেখি সিও এটা কাৰণ হেনো, এই পুৰণি গ্ৰন্থখন তেওঁ নতুনকৈ ৰচনা কৰি ছপোৱাৰ। সেইদেখি প্ৰথম পাততে এওঁ নিজৰ ৰচনাৰ "বৰ্ণশুদ্ধিৰ" নমুনা দেখুৱাই বাজি মাৎ কৰিছে চোৱা।—"শাস্ত্ৰ-ৰত্নাকাৰ," "অৱলম্বনে" "ৰক-পাৰ্থ" "ত্ৰিজগত" "প্ৰভুৰ" ইত্যাদি।

এই গ্ৰন্থ প্ৰকাশ কৰোঁতাৰ নিচিনা আৰু জনচেৰেক "সাহিত্যিক" আমাৰ দেশত ওলালেই ভৰা ৰবি মাৎ।

---

# প্ৰকৃতিৰ শোভা।

বিনন্দীয়া বসুন্ধৰা চোৱা হেঁপাহত
বাহিৰলৈ গলোঁ লগৰীয়াৰ লগত।
উলাহেৰে ফুৰিছিলোঁ মন বঙ কৰি,
নানা তৰহৰ শোভা চাই ঘূৰি ঘূৰি।
জ্যোতিৰ্ম্ময় হৈ সূৰ্য্য আছে গগনত,
ভুৱন উজ্জ্বল হৈছে ৰশ্মি প্ৰভাৱত।
দিবাকৰে সাধি আছে মহা উপকাৰ,
নহলে কিৰূপে আহা চলিব সংসাৰ।
মেঘৰ তলত দেখা পালোঁ গিৰিবৰ,
কল কল শব্দে তাতে বৈছে নিৰঝৰ।
নগৰৰ কাষতিয়েদি বেগে নদী যায়,
কত গছ ঝাঁজি ভাঙ্গি কোলাত লৈ যায়।
মন যায় লগে লগে, উৰ্ম্মি উঠে পৰে,
অপূৰ্ব্ব তৰঙ্গে নৈৰ শোভা বৃদ্ধি কৰে।
আহত ৰবৰ গছে বাটত ছাঁ দিছে,
পথুকসকলে ৰহি মলয়াক পিছে।

নৈৰ পাৰে পাৰে বগে মাছ ধৰি খায়,
বালিত খোচৰে পোক বৰ-টোকোলাই।
বিলত গুৱনী দেখোঁ পদুম নিছুম,
মউ খায় ভোমোৰাই কৰি গুণ গুণ।
পদুমৰ সৌৰভে দুয়ো হৰষিত হলোঁ,
ফুলনিলৈ গৈ দুয়ো ৰঙেৰে ফুৰিলোঁ।
প্ৰকৃতিৰ শোভা তাতো বহু দেখা পালোঁ,
জগতৰ সবাকিৰ সলাগনি ললোঁ।
ধুনীয়া ধুনীয়া ফুল কত আছে ফুলি,
সুগন্ধে আমোলমোল হৈ জেউতি তুলি।
যুতি জাঁৎ গুটীমালি চম্পা নাগেশ্বৰ,
শেৱালি বকুলফুল গোলাপ টগৰ।
বকুলৰ মালা গাথি হাবিয়াহ কৰি,
দুইৰো ডিঙিত দুয়ো পিন্ধিলোঁ সাদৰি।
সহদেউ সখিয়ন্তী কৃষ্ণ চৰাই
কিনো সুললিত মাতে হৰিগুণ গায়।
কুলিৰ কু-উ-উ মাত শুনি ভাল পাই
ৰঙেৰে বসন্ত ঋতু আহিছে ওলাই।
ন পাত সলাইছে গছে বসন্তক পাই,
ফল ফুল ধৰিবলৈ ডাল ওপচাই।
সৰাছালি দেখি দুয়ো তথা হৈ ৰলোঁ,
প্ৰভুৰ বিচিত্ৰ লীলা গুণি ভাবি চালোঁ।
পখিলাৰ পাখি দেখি হলোঁ বিমোহিত,
পিছে পিছে লৰি গলোঁ ধৰিবৰ চিত।
পথাৰে কোমল ঘাঁহ শ্যাম বৰণীয়া,
গৰু গহ ছাগে খায় উদৰ পূৰিয়া।
গধূলিৰ সমাগমে সূৰ্য্যৰ বিদায়,
জেটকুল পাহি মেলে চন্দ্ৰ দেখা পাই।



চৰাইবিলাকে পাখি মেলি উৰি যায়,
নিশাটি বিশ্ৰাম লয় খোৰোঙ সোমাই।
দিন যায় ৰাতি আহে নিয়তিৰ গুণ,
প্ৰভুৰ আজ্ঞানুবৰ্ত্তী নহৈ পাৰে কোন?
সংসাৰৰ লীলা খেলা জনম মৰণ,
সুখ দুখ ভুঞ্জি জীৱ কৰে বিচৰণ।
নিশাৰ সুনিদ্ৰা এৰি উষাৰ লগত,
সৰ্ব্বজীৱ জাগি উঠে প্ৰভাত কালত।
স্বকীয় কাৰ্য্যত সবে নিয়োজিত হয়,
জীৱনৰ দিনকেটি হেলাৰে ঠেলয়।
প্ৰকৃতিৰ শোভা চালে জ্ঞানৰ বিকাশ,
দয়াময়ৰ দয়া কত পাইছে প্ৰকাশ।
বিশ্ব-খনিকৰজনে এই আহি দিছে,
তাকে চাই জীৱজন্তু সংসাৰত বৈছে।
ধন্য ধন্য ভগৱন্ত ধন্য হে যেমালি,
বিশ্বব্ৰহ্মাণ্ডক লৈ আছা হে উমলি।

শ্ৰীপদ্মাৱতী দেৱী ফুকননী। (গুৱাহাটী।)

---

# সাহিত্য আৰু মুচলমান।

ভাৰতবৰ্ষৰ প্ৰত্যেক প্ৰদেশ, প্ৰত্যেক দেশ, আৰু প্ৰত্যেক নগৰ, এনে কি প্ৰত্যেক গাওঁ-ভূঁইতেই হিন্দু-মুচলমানৰ একে লগে বাস। ইয়াৰ ভিতৰত দুয়ো সম্প্ৰদায়ৰ মাজত যেনেকুৱা একতা আৰু মিলা-প্ৰীতি হব লাগিছিল, দুখৰ বিষয়, তাৰ আধাও নাই। কিয় নাই কোনোবাই কব পাৰে নে? পাৰে, কিন্তু প্ৰতিকাৰৰহে কোনেও একো চেষ্টা কৰা দেখা নেযায়। ইংৰাজে ভাৰতবৰ্ষ লৈয়েই ক্ৰমে ইংৰাজী ভাষাৰ প্ৰচলন কৰিবলৈ

আৰু হিন্দুৱেই প্ৰথমে এই ভাষাৰ চৰ্চ্চা কৰি লাহে লাহে উন্নতি কৰিবলৈ ধৰে। কিন্তু মুচলমানে এই সময়লৈকো আগৰ ৰাজভাষা ফাৰ্চী এৰি ইংৰাজী শিকাৰ একো আৱশ্যকতা অনুভৱ কৰিব নোৱাৰিলে। শেষত যেতিয়া মুচলমানে দেখিবলৈ পালে যে ৰাজদৰবাৰৰ প্ৰায়েই ডাঙৰ ডাঙৰ কামবোৰ হিন্দুৰ একচেতীয়া আৰু মুচলমানৰ ভাগ্যত খানচামা বাবুচীৰ পদ, তেতিয়াহে মুচলমানৰ চকু গজিবলৈ আৰম্ভ কৰিলে ;—তাকো দেড়শ বছৰৰ পাছতহে।

মানুহে শোৱাৰপৰা সাৰ পাই আগত এটা নেদেখা বস্তু দেখিলে যেনে আচৰিত হয়, মুচলমানও ইংৰাজী ভাষাৰে টুটু-টাটা কৰিবপৰা হলত এই দৰে আচৰিত হৈছিল। ইতিহাস মেলি পাতে পাতে যেতিয়া তেওঁলোকে বোপাককাকৰ চৰিতামৃত পান কৰিবলৈ পালে তেতিয়া তেওঁলোকে নিজৰ অবস্থা বুজিলে।

তাৰ পাছত ভাৰতীয় ভাষাবোৰেও লাহে লাহে গা টঙাবলৈ ধৰে। ইয়াৰ সাহিত্যৰ পাতে পাতে মোচলেম কাহিনীৰে পৰিপূৰ্ণ। সামান্য এখন নাটক বা উপন্যাসৰ দুপিঠি লেখিবলৈ আৰম্ভ কৰিলেই মুচলমান নায়ক নায়িকা নহলে নচলাত পৰিল। দুখৰ বিষয় সেই চৰিত্ৰবোৰ এনে জঘন্যকৈ দেখুৱা হয় যে কোনো হৃদয়বান মুচলমানেই সেইবোৰ পঢ়ি স্থিৰ চিত্ত হৈ থাকিব নোৱাৰে। কিন্তু সেই চৰিত্ৰবোৰৰ কোনো ঐতিহাসিক প্ৰমাণ নাই।

উদাহৰণ স্বৰূপে এটি ঘটনাৰ কথা উল্লেখ কৰা যাওক,—সৌন্দৰ্য্য আৰু গুণত বিশ্ববিমোহিনী ভাৰতেশ্বৰী চুলতানা ৰিজিয়াক যি দৰে সাজ-পাৰ পিন্ধাই ভাৰতৰ ৰঙ্গভূমিত সকলোৰে আগত উলিওৱা হয়, বাস্তবিকতে তেওঁ তেনেকুৱাই আছিল নে? স্ত্ৰী-সুলভ লাজকাজ কাতি কৰি থৈ এটা নিভৃত কোঠালিত বীৰভদ্ৰ সিংহকে লুকুৱাই লৈ ভাৰতৰ ৰাজৰাজেশ্বৰী চুলতানা ৰিজিয়াই সংচাকয়েই উপযাচিকা স্বৰূপেৰে তেওঁৰ ভৰিত নিজ প্ৰাণমন সমৰ্পণ কৰি বিফল মনোৰথ হৈ আত্মহত্যা কৰি যবনিকাৰ আৰ লৈ পৃথিবীত আদৰ্শ প্ৰেমৰ (?) চানেকী থৈ গল নে? কতা দেখোন নিৰপেক্ষ ইতিহাসে কয়,—



"মহাৰাণী ৰিজিয়াই এজন আবিচনীয় মানুহক প্ৰধান সেনাপতি পদত বহুৱাত ৰাজ দৰবাৰৰ সকলো আমীৰ ওমৰাই খঙত ৰিজিয়াৰ সৰ্ব্বনাশ সাধন কৰিবলৈ সাজু হয়। সেই মানুহজনক সেই কেৰা অনুগ্ৰহ কৰাতেই তেওঁ নিজ সম্প্ৰদায়ৰ মানুহৰ চকুৰ কুটা হোৱাদি হল, আৰু সেই দিনাৰপৰাই তেওঁৰ বিপদৰ সূত্ৰপাত হয়। শেষত তেওঁ নিৰুপায় হৈ এজন তুৰ্কী জাতীয় চৰ্দ্দাৰৰ ধৰ্ম্মপত্নী হৈ আত্মৰক্ষাৰ উপায় চিন্তিবলৈ ধৰিলে। তুৰ্কী চৰ্দ্দাৰে প্ৰাণপণ চেষ্টা কৰিও ভাগ্যলিপি খণ্ডাব নোৱাৰিলে। অকল এজনে এটা সম্প্ৰদায়ৰ লগত কিমান পৰলৈ যুঁজিব। শেষত যুজত পৰাজিত হৈ ১১৩৯ খৃষ্টাব্দত পিৰিয়েক থৈণীয়েক হালীয়েই নিহত হয়। এইদৰেই ভাৰতবৰ্ষৰ একছত্ৰ অধীশ্বৰী চুলতানা ৰিজিয়াই শোচনীয় ভাৱত অকালতে স্বৰ্গা-ৰোহণ কৰে।"

ভগৱান, মোৰ মাতৃভাষা অসমীয়াক যেন এনেবোৰ কলঙ্কৰপৰা আঁতৰাই ৰাখা।

এম, মোছলেহ উদ্দিন আহমদ।

---

## স্কাইলাৰ্ক*।

সোণৰ বৰণ ঢালি  
আকাশত পাখি মেলি  
মেঘৰ লগত মিলি  
মৌসনা গীত তুলি  
কোন তুমি কোৱা চোন ভুবন ভুলোৱা?

চৰাই নোহোৱা তুমি  
ঘিণ কৰি মৰ্ত্তভূমি,  
উঠি গৈ আকাশত  
লুকাই মেঘৰ ছাত  
গীত-মধু বৰষুণ সদাই পঠিওৱা?

---

* ইংৰাজী কবি চেলিৰ To The Skylarkৰ অসমীয়া ভাঙনি।

কেঁহজালি সময়তে
উঠি তুমি পোনচাতে
পোৱা গৈ আকাশৰ
তোমাৰ সাদৰি ঘৰ,
আৰু তাতে গান গাই সাঁজলৈকে নিউৰা।

দুপৰীয়া গা ঢাকি
ডবাৰ লগতে থাকি
শুনোৱা তোমাৰ বীণ
শূইন আকাশত যেন
তোমাৰ ৰঙৰ চোৱে পৃথিবী যে বুকৰা।

পাতৰ আঁৰত থাকি
সৌৰভতে গা ঢাকি
যেনেকৈ ফুলটিয়ে
গোন্ধেৰে চিনাকি দিয়ে
গীতেৰে চিনাকি দি তুমিও তেনে লুকুৱা।

পৃথিবীত যতখিনি
ভাল বস্তু আছে মানে
জহত জুৰণি পানী
গছলতা মুক্তামণি
সকলোটি পৰাজয় তোমাৰেহে আগতে।

কিহত ইমান ৰঙ
পোৱা তুমি নিত্যানন্দ,
চৰাই নে তুমি বাৰু
নাই স্বৰগৰ পাৰু ?
তুমি হেন ৰঙিয়াল নাই এই মৰ্ত্তত।

শ্ৰীদেবেশ্বৰ চলিহা। (যোৰহাট)



# চহকী আৰু দুখীয়া।

তুমি সুখী, মই দুখী। তুমি চহকী মই দুখীয়া। তুমি তোমাৰ বন্ধুবান্ধৱেৰে সুৰম্য পকা "দালানত" বাস কৰিছা আৰু মই আত্মীয়হীন বন্ধুহীন হৈ খেৰৰ পঁজাত দিন কটাইছোঁ। চাওঁতে চাওঁতে তোমাৰ দিন অনন্তত মাৰ যাব—আৰু মোৰ দিন হতাশাৰ দীঘলীয়া হুমুনিয়াহ কাঢ়ি ভাৰ বোৱা বুঢ়া বাটকৰাৰ দৰে অতি দুখেৰে পশ্চিম-আকাশত ডুব যায়। সেইদেখিয়েই তুমি সুখী আৰু মই দুখী।

মই দুখীয়া। সেই কাৰণেই আজি তোমাৰ ঘৃণাৰ পাত্ৰ। তোমাৰ ওচৰত আজি মই কুকুৰতকৈও অধম। কিন্তু ভাবি চোৱাচোন, তোমাৰ এই দিন চিৰকাল থাকিব নে? দিনৰ পিছত ৰাতি, পূৰ্ণিমাৰ পিছত আঁউসীৰ ঘোৰ অন্ধকাৰ। জগতৰ নিয়মেই এই। মোৰো এই অৱস্থা চিৰকাল নাছিল, তোমাৰো এই অৱস্থা চিৰকাল নাথাকে। "চক্ৰৱৎ পৰিবৰ্ত্তন্তে সুখানি চ দুখানি চ"। যি ফুলৰ গোন্ধত আজি তুমি বলিয়া, যি ফুল-মধুৰ কাৰণে আজি তুমি সংসাৰক তৃণ যেন জ্ঞান কৰিছা, সেই ফুল সেই মুহূৰ্ত্ততে শুকাই জহি যাব, সেই মধু-ভাণ্ড খালি হৈ পৰি থাকিব। ৰোম ৰাজ্যখনো ধ্বংস হৈছে। আৰু তুমি যে তাৰ তুলনাত কিমান সৰু। তোমাৰ এমুঠি ধন, তেওঁ বিলাকৰ ঐশ্বৰ্য্যৰ তুলনাত কিমান তাকৰ। স্বৰ্গৰাজ্য-অধীশ্বৰ ইন্দ্ৰৰ পদো চিৰস্থায়ী নহয়, ব্ৰহ্মাৰো পতন হয়। সেইদেখিয়েই কওঁ, তুমি আজি যি মিছা অহঙ্কাৰৰ হাঁহি মাৰিছা কাইলে সি নাইকিয়া হ'ব। যি চকুৰে উলাহ আৰু দম্ভত হাঁহিছে নাচিছে, সেই চকুতেই আকৌ কাইলে শোকৰ অশ্ৰু জৰিব। তেতিয়া তুমি বুজিবা তোমাৰে মোৰে মাজত কিমান প্ৰভেদ।

তুমি মৌ গোটাইছা—তোমাৰ চাৰিওপিনে মাখিয়ে তোন্ তোনাইছে। তুমি জনা নাই নে—তোমাৰ এই মৌ চিৰকাল নেথাকে? তুমি নেজানা নে এইবোৰ বসন্তৰ ফুলিৰ নিচিনাকৈ বসন্তৰ লগে লগেই গুচি যাব? সিহঁত মোৰ লোভত আহিছে, যেতিয়া তোমাৰ মৌ-অন্ত হ'ব, তেতিয়াত সিহঁতেও ঘৃণাৰ বিকট হাঁহি মাৰি আন ফুলৰপৰা মৌ-ৰস চুহিবলৈ লৰ দিব ; তোমাৰ

ৰব মাধোন শূন্য ভাও, ব্যথিত প্ৰাণৰ দীঘল হুমুনিয়াহ, কলং নৈৰ নিচিনা অশ্ৰুৰ সোঁত। যিটি দিন তুমি চাওঁতে চাওঁতে অদৃশ্য হৈছিল সেইটি দিন তুমি আৰু নোপোৱা। এটি এটি দিন তোমাৰ মানত হাজাৰ হাজাৰ যুগ যেন লাগিব। তেতিয়া তুমি বুজিবা তোমাৰে মোৰে মাজত কিমান প্ৰভেদ।

কত, তোমাৰ সেই সুন্দৰ পকা "দালান" এতিয়া কত? যি কমল-শয্যাত শয়ন কৰিও তোমাৰ টোপনি নাহিছিল—এতিয়া সেইবোৰ কত? যি সুখৰ কোমল কোলাত তুমি ৰাতিদিন আপোন ভুলি টোপনি গৈছিলা—সেই সুখ এতিয়া কত? যিবিলাকক তুমি ইহকাল পৰকালৰ সাক্ষী ভাবি তোমাৰ ক্ষুদ্ৰ হিয়াৰ আটাইবিলাক বিশ্বাস ঢালি দি ভাল পাইছিলা—তোমাৰ সেইসকল সময়ৰ বন্ধু এতিয়া কত? ঐশ্বৰ্য্যৰ দৰ্পত তুমি জগতক তলতীয়া কৰিবলৈ চাইছিলা, যি ঐশ্বৰ্য্যৰ মোহত অন্ধ হৈ তুমি তোমাৰ কথা পাহৰি গৈছিলা—সেই ঐশ্বৰ্য্য এতিয়া কত?

কোনো নাই, কোনো নাই। পৰিবৰ্ত্তনশীল জগতৰ চক্ৰত পেলাই চাৰিওপিনে অন্ধকাৰ কৰি সেই আটাইবোৰ গুচি গল। অনুতাপৰ অশ্ৰু আজি তোমাৰ বুকু ফাটি বাহিৰ হ'ব খুজিছে। শোকৰ, হতাশাৰ প্ৰবল বেগ আজি তুমি ৰাখিব পৰা নাই। সূৰ্য্যৰ চোকা ৰদ আজি তোমাৰ অসহ্য। ৰাতিৰ এন্ধাৰ আজি তোমাৰ মানঃ ভীষণ নৰকৰ প্ৰত্যক্ষ ছবি। পূৰ্ণিমাৰ পোহৰে আজি তোমাৰ ওপৰত বিদ্ৰূপৰ শৰ মাৰি আঁতৰি গুচি গৈছে। আটাইবিলাকে আজি তোমাক দেখি যেন বিদ্ৰূপৰ হাঁহি, ঘৃণাৰ হাঁহি মাৰিছে। আজি তোমাৰ সেই দৰ্প সেই মোহ কলৈ গল! এতিয়া তুমি বুজিব পাৰিবানে তোমাতে মোতে কিমান প্ৰভেদ?

কত প্ৰভেদ—কত ব্যৱধান। তুমি সহস্ৰ জন্মৰ বাসনা চৰিতাৰ্থ কৰিবলৈ আহিছা—মই তাক দমন কৰি কৰি আহিছোঁ। তুমি সুখতো অসুখী, দুখতো অসুখী, সৌভৰি মুনিৰ দৰে তোমাৰো "মনোৰথানাং ন সমাপ্তিৰস্তি"। তুমি চোৰা আলাউদ্দিনৰ দৰে প্ৰান্ত মুহূৰ্ত্ততে তোমাৰ অশেষ বাসনা চৰিতাৰ্থ কৰিবলৈ—তাকে কৰিব নোৱাৰিলে তোমাৰ দুখৰ সীমা নেথাকে। তুমি ইন্দ্ৰিয় চৰিতাৰ্থকে জীৱন বুলি ভাবা—সেইদেখিয়েই তোমাৰ ইমান দুখ, সেই কাৰণেই তুমি মৃত্যুক ইমান ভয় কৰা। মই এনে



অমিয়া সুখৰ নিমিত্তেও উন্মত্ত নহওঁ, দুখতো অসুখী নহওঁ। ইন্দ্ৰিয় সংযমকে মই জীৱন বুলি ভাবোঁ। মই চাওঁ ইন্দ্ৰিয় সুখৰ সিপাৰলৈ যাবলৈ—যত মানুহ বাসনা-জুইত পুৰি দেই নমৰে, যত ইন্দ্ৰিয় সুখৰ আকাঙ্ক্ষা নাথাকে, যত সংসাৰৰ কোলাহল প্ৰবেশ কৰিব নোৱাৰে। মই চাওঁ বাসনাক ইন্দ্ৰিয় চৰিতাৰ্থতাৰ ভিতৰৰপৰা টানি আনি বিশ্বপ্ৰেমত ডুবাবলৈ। মই চাওঁ জীৱনক মৃত্যুৰ ভিতৰত বুৰোৱাই কলঙ্কশূন্য কৰিবলৈ—সেই কাৰণেই মই মৃত্যুলৈ ভয় নকৰোঁ।—মই মৃত্যুক ভাল পাওঁ। তোমাৰ সকলো গ'ল, কিন্তু এতিয়াও তোমাৰ প্ৰাণত বাসনা-জুই দপ্ দপ্ কৰে জ্বলিব লাগিছে। লাহে লাহে নুমুৱাবলৈ চেষ্টা কৰা। তাকে নকৰি যদি ইয়াক আশ্ৰয় দিয়া—তেন্তে কিছুদিনৰ মূৰত দেখিবা তোমাৰ দপ্‌দপীয়া জুয়েই তোমাক গ্ৰাস কৰিব। এয়েতো তোমাৰ পৰিণাম! এই পৰিণামৰ নিমিত্তেই তুমি ইমান গৰ্ব্ব কৰিছিলা? ছিঃ ছিঃ তুমি মানুহ হৈ এই মনুষ্যত্ব লাভ কৰিছা! এতিয়া বুজিলা নে তোমাৰে মোৰে মাজত কিমান প্ৰভেদ?

তোমাক সুখ লাগে। ইন্দ্ৰিয় চৰিতাৰ্থৰপৰা কিবা সুখ হয় নে? যদি হয় তেন্তে পশু পক্ষীও সুখী! তুমি সুখৰ নিমিত্তে বলিয়া হৈ মৰীচিকাৰ পাছে পাছে অনুসৰণ কৰিবলৈ যোৱা। মৌ-পিয়াৰ নিচিনাকৈ এটোপা পানীৰ কাৰণে ডাবৰৰ ফাললৈ চাই থাকা—কিন্তু তোমাৰ পিছতে সাগৰ ভৰা পানী তাক দেখিও নেদেখা। তুমি সুখৰ নিমিত্তে আহি দুখক মোহিনী বেশেৰে দেখি তাকে সুখৰ ভ্ৰমত পৰি বুকুৰ ওচৰলৈ টানি লৈছা। অমৰত্ব লাভ কৰিবলৈ আহি তুমি দানৱৰ দৰে সামান্য কামিনীৰ মোহত মুগ্ধ! সুধাৰূপ সাগৰৰ পাৰত বহি তুমি মাথোন বিষ পান কৰিছা। সৌৱা চোৰা তুমি ৰাক্ষসীকে সুখ বুলি গ্ৰহণ কৰিছিলা—তাই সময় আৰু সুবিধা পাই তোমাৰ বুকুত শাণিত অস্ত্ৰ বহুৱাবলৈ সাজু! তেজ পিবলৈ পাই তাইৰ জিভা হিংসক জন্তুৰ দৰে লহ্ লহ্ কৰে বাঢ়ি আহিব লাগিছে—তাই তোমাৰ সকলো খালে, এতিয়া তুমিয়েহে মাথোন তাইৰ শেষ লক্ষ্য! তোমাক খাব পাৰিলেই তাইৰ উদ্দেশ্য সিদ্ধি হয়—এই পৃথিবীৰ কাম শেষ হয়। এতিয়াও তুমি চায়ে থাকিবা নে? এতিয়াও তুমি মোহিনী বাণত চায়ে থাকিবা নে?

"উত্তিষ্ঠত জাগ্রত প্রাপ্য বৰান্নিবোধত"। উঠা, উঠা—এতিয়াও সময় আছে। তোমাৰ মোহিনী বাণ কাটি পেলোৱা। এবাৰ চোৱাচোন তুমি কত আছিলা? লোকে পোকে ভৰা বিষ্ঠাৰ মাজত তুমি লিপ্ত আছিলা আৰু তাৰ মোহতে তুমি মুগ্ধ হৈছিলা। ইয়াত সুখ কত? ইয়ে নৰক, ঘোৰ নৰক।

"অমেধ্য পূর্ণে কৃমি জাল সংকুলে
স্বভাব দুর্গন্ধি বিনিন্দিতান্তৰে।
কলেবৰে মূত্র পুৰীষ ভাবিতে
ৰমন্তি মূঢ়া। বিৰমন্তি পণ্ডিতাঃ।"

যি বিষ্ঠাৰ পোকৰ নিচিনা ঘৃণিত বিষয়ত লিপ্ত থাকে আৰু তাৰ গপতে গণ্ডাটোপটো হৈ ফুৰে তাক ভূত পিশাচ বুলি আৰু কি বুলিব পাৰি। চোৱাচোন তুমি কুটীৰ নিচিনাকৈ চাকিৰ ফাললৈ লৰি গৈছিলা। তুমি হৰিণাৰ দৰে বন্টাৰ মাতত মোহ গৈছিলা, ওচৰতে ব্যাধে তীক্ষ্ণ শৰ হাতত লৈ তোমাৰ বিনাশৰ নিমিত্তে দণ্ডায়মান। "কুটিয়ে নেজানে পুৰি মৰাৰ কি বেদনা, সেই কাৰণেই চাকিৰ জুইৰ মাজত প্রবেশ কৰে। মাছে নেজানে যে বিটি টোপ সি খাইছে তাৰ ভিতৰতে তাৰ মৃত্যু আছে; সেইদেখিয়েই বৰশীত লগোৱা টোপটো সি খাই পেলায়। কিন্তু আমি জানো যে আমাৰ ভোগ বিলাসৰ বস্তবোৰ বিপদেৰে পৰিপূর্ণ, ভোগ কৰিবলৈ গলেই সর্ব্বনাশ হব। তথাপি ইহঁতক এৰিব নোৱাৰো, হাঁয় হাঁয় মোহৰ কি ভয়ানক ক্ষমতা!"

এতিয়াও তোমাক কব লাগিব নে, তোমাৰে মোৰে মাজত কিমান প্রভেদ? হেজাৰ যোজনৰ ব্যৱধান।

মই সামান্য ছাল বাকলি পিন্ধি সুখী, তুমি বহুমূলীয়া বাজ আভৰণ পিন্ধি সুখী; মই ছাল বাকলিত যেনে সন্তুষ্ট বাজ আভৰণতো তেনে সন্তুষ্ট। কাৰণ মোৰ আসক্তি নাই, মোৰ বিলাস ভোগৰ বাসনা নাই। তুমি কিন্তু ছাল বাকলি পিন্ধিব লগীয়া হ'লে তোমাৰ কষ্টৰ সীমা নেথাকিব। কাৰণ তোমাৰ বিলাস ভোগৰ ইচ্ছা পূর্ণমাত্রাৰে বিদ্যমান। দুখীয়া কোন?—যাৰ হেপাহৰ অন্ত হোৱা নাই। প্রাণত যাৰ শান্তি থাকে তেৱেঁই যথার্থ



চহকী। ধনবান্ হৈও যাৰ প্রাণত শান্তি নাই, জোনৰ কিৰণেও যাক শান্তিৰ ধাৰ ঢালি দিব নোৱাৰে, তেওঁৰ নিচিনা দুখীয়া না কত আৰু তেওঁৰ সমান দুখীয়েই বা কোন?

চোৱাচোন, বাসনাত্যাগী সৌ দীনহীন সুখী নে তুমি সুখী? তেওঁ সকলো বাসনা ত্যাগ কৰি মাটিৰ ওপৰত শুই আছে, নিজৰ হাত দুখনি গাৰু কৰিছে, চন্দ্রাতপৰ দৰে মূৰৰ ওপৰত আকাশখনি বিস্তৃত হৈ আছে, জোনে চাকিৰ নিচিনাকৈ পোহৰ দিছে, বায়ুরূপ বিচনীয়ে তেওঁক বিচিছে। তেওঁৰ প্রাণত অশান্তি নাই; দাৰিদ্র্যৰ ভীষণ কটাক্ষই তেওঁৰ মনক চঞ্চল কৰিব নোৱাৰে, তেওঁ সকলো অৱস্থাতে সুমেৰু পর্ব্বতৰ দৰে গহীন, গম্ভীৰ। তেওঁ পূর্ণানন্দ উপভোগ কৰিছে।

তেওঁক দেখিলে তোমাৰো হিংসা লাগিব; তেওঁক দেখিলে, তেওঁৰ বতাহ তোমাৰ গাত লাগিলে এক মুহূর্ত্ততে তোমাৰ আগৰপৰা এখন কলা যৱনিকা আঁতৰাই যাব, তেতিয়া তুমি দুখত শোকত কাকুতি কৰিবলৈ ধৰিবা;—

"মায়াৰ নিগ্রহে মই পৰম্ আতুৰ ভৈলোঁ।
প্রাণ যদুপতি জীৱন যদুপতি।
অনাথৰ নাথ হৰি তুমি কৃপাময় বিনে
মোৰ আৰ নাহি আনগতি।"

শ্রীবেণুধৰ শর্ম্মা। (শিবসাগৰ।)

---

## গীত।

(সুৰ—ৰবীন্দ্রনাথৰ "আজি প্রণমি তোমাৰে চলিব নাথ" ইত্যাদি)

আমি ভকতি আঁজলি যাচিছোঁ প্রভু বন্দনা গানে।
প্রভু তোমাৰ কৰুণা কিৰণ ঢাল। মঙ্গল,দানে।
গাইছে চৰায়ে তোমাৰে মহিমা,
জোন বেলি তৰা ঘোষিছে গৰিমা,
বিবিধ ছন্দে তব গুণ-গান, পঞ্চম তানে।

শুচোৱাঁ মনৰ কুৱলি আন্ধাৰ,
দিয়াঁ গিয়ান অমৃত ধাৰ,
ফুটোৱাঁ প্ৰীতি, নীতি, অনুভূতি, আমাৰ প্ৰাণে প্ৰাণে।
অৰপি বাসনা তোমাৰ চৰণে
জীৱন কৰ্ম্ম সাধোঁ ৰঙ্গমনে,—
পূজিম অমোঘ মন্ত্ৰে নিতে, উন্নতি ধ্যানে। শ্ৰীপদ্মধৰ চলিহা।

---

## শিৱাজী।

সোতৰ শ শতিকাৰ মধ্যম ভাগত
হিন্দুৰ গৌৰৱ-ৰবি চোকা জেউতিৰে
জ্বলিছিল যাৰ গুণে ভাৰতাকাশত
—তেৰা লাগি চাইছিল মোগল সম্ৰাটে।

( ২ )

যিজনৰ প্ৰতিভাত মাৰাথা জাতিয়ে
অতুলন গৌৰৱৰ আসন লভিলে;
স্বাৰ্থত্যাগী তেজী বুলি সোণালী আখৰে
ভাৰত বুৰঞ্জী পাত ৰঞ্জিত কৰিলে

( ৩ )

হে দেৱ!
উঠিছে তোমাৰ স্মৃতি মানস পটত,
বাজিব লাগিছে বীণা তোমাৰ নামৰ,
তোমাৰ তেজৰ সোঁত প্ৰতি ধমনিত
বেগেৰে লাগিছে বব নিতে নিৰন্তৰ।

( ৪ )

দেখুৱাব নোৱাৰিলোঁ ভকতিৰ চিন
—মোৰ এই ক্ষুদ্ৰ হিয়া ভকতিৰে ভৰা।
তোমাৰ স্মৃতিতে কৰি হৃদয় বিলীন
দিলোঁ এই পুষ্পাঞ্জলি সাদৰেৰে ধৰা। "জিজি"



## মোৰ দেশ।

এয়ে সেই মোৰ দেশ অসম নামৰ,
শোভিছে চৌপাশে যাৰ নানা গিৰিবৰ;
প্ৰকৃতিৰ বাসস্থলী এয়ে মোৰ দেশ,
সৌন্দৰ্য্যৰ কেন্দ্ৰস্থল মহিমা অশেষ;
শিতানত শোভে সউ গিৰি হিমালয়,
বক্ষ মাজে ব্ৰহ্মপুত্ৰ শোভে পুণ্যময়;
পবিত্ৰ সলিল ধৌত এয়ে মোৰ দেশ;
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

প্ৰতিস্থান প্ৰতি বন মন্দিৰ প্ৰাচীৰ,
জগায় পুৰণি স্মৃতি অসম মাতৃৰ;
আজিৰ লখীমপুৰ পূৰ্ব্বৰ কালত
আছিল কুণ্ডিল ৰাজ্য ভীষ্মক ৰাজৰ;
ৰুক্মিণী-হৰণ আদি কৃষ্ণৰ লাঞ্ছনা,
ঘটিছিল ই ৰাজ্যতে কতনা ঘটনা;
লক্ষ্মীদেৱী হবে এ'তে ভুঞা বংশধৰ,
সূৰ্য্যবংশী বুলি হ'ল খ্যাত অসমৰ;
কুবেৰৰ বংশধৰ ছুটীয়া ভূপতি,
শাসিলে ই খণ্ডভূমি খিতাপি খিয়াতি;
কৃষ্ণ-পদ-ধূলি পোৱা এয়ে মোৰ দেশ,
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

আহোমৰ ৰাজধানী এয়ে ৰঙপুৰ,
বুৰঞ্জী কথাৰে থকা সদা ভৰপুৰ;
প্ৰবেশে ইয়াতে আহি তেৰ শতিকাতে,
বিক্ৰমী আহোম জাতি পোৰ প্ৰথমতে!
অখণ্ড প্ৰতাপে যেয়ে শাসি এই দেশ,
ৰাখিলে ৰৰাভ কীৰ্ত্তি অসীম অশেষ;

# মোৰ দেশ।

এয়ে সেই মোৰ দেশ অসম নামৰ,
শোভিছে চৌপাশে যাৰ নানা গিৰিবৰ ;
প্ৰকৃতিৰ বাসস্থলী এয়ে মোৰ দেশ,
সৌন্দৰ্য্যৰ কেন্দ্ৰস্থল মহিমা অশেষ ;
শিৰানত শোভে সউ গিৰি হিমালয়,
বক্ষ মাজে ব্ৰহ্মপুত্ৰ শোভে পুণ্যময় ;
পবিত্ৰ সলিল ধৌত এয়ে মোৰ দেশ,
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

প্ৰতিস্থান প্ৰতি বন মন্দিৰ প্ৰাচীৰ,
জগায় পুৰণি স্মৃতি অসম মাতৃৰ ;
আজিৰ লখীমপুৰ পূৰ্ব্বৰ কালত
আছিল কুণ্ডিল ৰাজ্য ভীষ্মক ৰাজৰ ;
ৰুক্মিণী-হৰণ আদি ৰুক্মৰ লাঞ্ছনা,
ঘটিছিল ই ৰাজ্যতে কতনা ঘটনা ;
লক্ষীদেবী হস্তে এ'তে ভুঞা বংশধৰ,
সূৰ্য্যবংশী বুলি হ'ল খ্যাত অসমৰ ;
কুবেৰৰ বংশধৰ চুটীয়া ভূপতি,
শাসিলে ই খণ্ডভূমি খিতাপি খিয়াতি ;
কৃষ্ণ-পদ-ধূলি পোৱা এয়ে মোৰ দেশ,
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

আহোমৰ ৰাজধানী এয়ে ৰঙপুৰ,
বুৰঞ্জী কথাৰে থকা সদা ভৰপুৰ ;
প্ৰবেশে ইয়াতে আহি তেৰ শতিকাতে,
বিক্ৰমী আহোম জাতি পোন প্ৰথমতে ;
অখণ্ড প্ৰতাপে যেয়ে শাসি এই দেশ,
ৰাখিলে ধৰাত কীৰ্ত্তি অসীম অশেষ ;



কত দৌল পুষ্কৰিণী আজিও শোভিছে,
আজিও পুৰণি স্মৃতি কত উদগিছে ;
সতী অভিনয় স্থান এয়ে মোৰ দেশ,
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

এয়ে সেই মণিপুৰ উলুপীনগৰ,
এয়ে সেই ভীমজায়া হিড়িম্বাৰ ঘৰ,
ইয়াতেই পাণ্ডৱৰ দৰ্প খৰ্ব্ব হয়,
বভ্ৰুবাহ ঘটোৎকচ এ'তে জন্ম লয় ;
ইয়াতেই দেৱগণে নাগৰাজ্য পায়,
ম'ৰপৰা মণি আনি পথিক জীয়ায় ;
ইয়াতেই পৰাক্ৰমী কচাৰী জাতিৰ,
এতিয়াও ভগ্ন-শেষ আছে নগৰীৰ ;
মৰাও জীৱন পায় এয়ে মোৰ দেশ
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

এয়ে পুণ্য জন্মস্থান শঙ্কৰদেৱৰ,
ভাগৱত-ধৰ্ম্ম-সাৰ স্থল প্ৰচাৰৰ ;
এয়ে সেই চম্পাৱতী মহাভাৰতৰ,
ভক্ত সুধন্বাৰ স্থান হংসধ্বজ ঘৰ ;
ইয়াতে কপিলী গঙ্গা আজিও বইছে,
কপিল আশ্ৰম যত আজিও শোভিছে ;
পুণ্য তোয়া ধৰ্ম্মস্থলী এয়ে মোৰ দেশ,
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

এয়েই দৰঙ্গ ৰাজ্য আজিৰ দিনৰ,
দানৱৰ ৰঙ্গস্থলী তাহানি কালৰ ;
ইয়াতে শোণিতপুৰ বাণৰাজধানী
যাৰ কন্যা উষা সতী সৌন্দৰ্য্যৰ ৰাণী ;

ইয়াতেই বৃষ্ণিতবংশ লগত শঙ্কৰ
হই ভকতৰ পক্ষ কৰিলে সমৰ ;
ইয়াতেই আৰিমত্ত আদি নৃপবৰ
শাসিলে ধৰণী খণ্ড কৰি পয়োভৰ ;
অসম নামেৰে মোৰ এয়ে সেই দেশ,
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

এয়ে সেই কামৰূপ অতি অতীজৰ,
প্ৰাগজ্যোতিষপুৰ যাৰ আছিল নগৰ ;
ইয়াতে অসুৰ লগে বিষ্ণুৰ সংগ্ৰাম,
ইয়াতে অনঙ্গপাল অঙ্গ অনুপাম ;
ইয়াতেই ভানুমতী কন্যা স্বয়ম্বৰ ;
ইয়াৰেই ভগদত্ত মহাভাৰতৰ ;
ইয়াতেই মহাপীঠ ভৱানীৰ ধাম,
জগতৰ সেৱাস্থলী নীলাচল নাম ;
নানা তীৰ্থে ভৰপূৰ এয়ে মোৰ দেশ,
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

ইয়াতে ভাস্কৰবৰ্ম্মা আদি নৃপবৰে
ৰাজ্য কৰি গ'ল পূৰ্ব্বে অতি খিতাপেৰে ;
এ'তে বধূ পতিব্ৰতা বেহুলা সুন্দৰী
আনিছিল জীৱ দানি পতিক উদ্ধাৰি ;
ই ৰাজ্যতে ঘটে সেই ভীষণ সংগ্ৰাম
আহোম আওৰঙ্গজেব মাজে বৰ্তমান ;
প্ৰসিদ্ধ শৰাইঘাটে যথাশিক্ষা পাই,
ভাবিলে যোগলে আক দেশ জয় নাই,
দেখুৱালে সেই যুদ্ধে আসাম দেশৰ
শৌৰ্য্য বীৰ্য্য তেজ সেই প্ৰাচীন কালৰ,

প্ৰাচীন কীৰ্ত্তিৰে ভৰা এয়ে মোৰ দেশ,
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

এয়ে সেই গুৱালপাৰ আজিৰ নামৰ,
বিজনী গউৰীপুৰ আদি বিভাগৰ ;
শোভিছে ইয়াতে সেই পদ্মপুৰাণৰ
লেটাই ধুবুনী ঘাট প্ৰসিদ্ধ নামৰ ;
অসম নামেৰে মোৰ এয়ে সেই দেশ,
প্ৰণমো প্ৰণমো যাৰ মহিমা অশেষ।

শ্ৰীসৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী।

---

## দূত।

ৰাধা—কদম্ব ডালত তয়ো সখিয়তী নিচুকি থাকিলি বৈ,
শ্যাম চৰণত দুখনীৰ তুতি কোনেনো জনাব গৈ ?
যমুনা পাৰত কতনো বহিম প্ৰাণ প্ৰিয়তম বিনে !
যা সখিয়তী সখি সখি বুলি সেই নিকুঞ্জৰ পিনে॥

• • •

পশ্চিম গগনে ৰঙাচন্দনৰ ৰাঙলি বৰণ তুলি
পহাৰ যেতিয়া নীলা কপালৰ ৰাতুল ৰান্ধনী-বেলি,
এটি এটি কৰি ওলাব যেতিয়া মেঘত লাজুকী তৰা,
দিবিগৈ তেতিয়া জাননীটি তোৰ দূৰ আমনিৰপৰা।
প্ৰাণৰ জুৰাণ মৌমিঠা মাতে তেতিয়া নিলিব কাম,
প্ৰাণভেদা সুৰে সখি সখি বুলি সপ্তমে ধৰিবি তান,
প্ৰতি ঝঙ্কাৰত নাচিব যেতিয়া কাষৰ মলয়া, পখি,
বনৰ দেৱীয়ে কৰিব যেতিয়া প্ৰতিসম্ভাষণ দেখি,
আঁতৰৰপৰা পুখুৰী মাজত স্থিৰ কুমুদিনী সতী
মুকলি হিয়াৰে আপোন পাহৰি জোনাইক কৰিব তুতি,
সেই সময়ত নিজ পৰিচয় নেৰাখিবি আৰু ঢাকি,
অন্তৰৰ কথা সকলো জনাবি দিবি সখিয়তী বাকি
ধীৰে ধীৰে মোৰ হিয়াৰ আৰাধ্য সেই দেৱচৰণত
প্ৰীতিৰ পুষ্প, হিয়াভৰা প্ৰেম থিবা আছে অন্তৰত।

শ্ৰীজগৎচন্দ্ৰ বড়দলৈ।